Jetuka 2014 জেতুকা



Annual Souvenir, Volume 7-2014
Asom Association, Kuwait

PINK.

It's the latest trend
in drill bits.

Read why in the
next issue of CONNEXUS

SUBSCRIBE **NOW**

www.bakerhughes.com/subscribe

BAKER HUGHES

© 2014 Baker Hughes Incorporated. All Rights Reserved.

JETUKA
Volume 7 - 2014

Editorial Board:
- Bharati Sharma
- Anupam Rajkhowa
- Chinmoy Dutta
- Alok Das
- Mriganga Das

Cover Page:
Mriganga Das

Printed at:
Perfect Printers
Shuwaikh Industrial Area
Kuwait

Graphic design:
Mufaddal Parawala

Assamese typing & design:
S.P.Enterprises, Guwahati

Published by:
Asom Association, Kuwait
Regn. No. INDEMB / KWT / ASSN / 172
of Embassy of India, Kuwait
www.kuwaitotasom.com

CONTENTS

Article	Author	Page
বিহুনাম : বুৰঞ্জী : সমাজ	তীৰ্থ নাথ ফুকন	10
সম্প্ৰীতিৰ এনাজৰী	ভাৰতী শৰ্ম্মা	12
বস্ত্ৰনগৰী শুৱালকুছি	মিনতি চৌধুৰী	14
কঁহুৱা বনৰ এচাটি বা	কাকলী নাথ	16
KEUKENHOF	অঞ্জলী ৰাজখোৱা	17
পিৰামিড দেখিলো	অনুপম ৰাজখোৱা	20
স্মৃতি	দেবাহুতি কাকতি দাস	23
সুহৃৰি	আলোক কুমাৰ দাস	25
Siblingship	Upasana Mishra	27
Test	Ritam Mishra	27
An Interesting Joke	Krishnagsu Talukdar	28
Megalodon	Adit Kashyap	28
My Amazing Times Spent In India	Shubhankar Sharma	29
Unforgettable People	Shubhangi Sharma	30
A Fabulous Trip to Europe	Anoushka Das	30
Flower	Anushka Dutta	31
I Love You Rainbow	Ameesha Talukdar	31
Assam	Devanshi Dutta	31
Sachin the Legend	Antarip Kashyap	32
An Ace Day	Sanjukta Hazarika	37
A Visit to Mata Vaishnodevi Temple	Esha Hazarika	38
A Tale of Perspective	Arunav Bora	39
A Random Collection of Personal Glimpses	Nagen Dutta	42
Arithmetic of Time	Dwaipayan Bora	44
Aim in Life	Jayanta Bardalaye	45
Brilliance of the 'Dark Ages'	Iqbal Hussain	46
Journey of Faith	Mehtab Sultana Alam	48
Debunking Myths about Skin Deseases & Skin Care	Dr. Anindita Saikia	49
The Delightful Similitude Connecting Indian and Middle Eastern Cuisine	Parimita Barooah Bora	50
Move I Must	Atul Shah	51
My wife's creative writing with capital 'W'	Siddhartha Sharma	52
I Endeared those Cherished Moments	Mitali Goswami	55
A Glimps into the Future of Medicine	Dr. Anjol Saikia	56
Fabulous Facebook	Ruby Dutta Bardoloi	57
A Complete Nutrituous Baked Meal	Madhuchanda Nath	58
Smart Phones & Security	Amitabh Talukdar	59
Members Directory		61

H.H. Sheikh Sabah Al-Ahmad Al-Jaber Al-Sabah
The Amir of the State of Kuwait

H.H. Sheikh Jaber Al-Mubarak Al-Hamad Al-Sabah
The Prime Minister of the State of Kuwait

H.H. Sheikh Nawad Al-Ahmed Al-Jaber Al-Sabah
The Crown Prince of the State of Kuwait

सत्यमेव जयते

AMBASSADOR OF INDIA
KUWAIT

May 6, 2014

MESSAGE

I am pleased to know that Asom Association, Kuwait is celebrating, Rongali Bihu on May 29, 2014 and bringing out its annual magazine on this happy occasion to showcase the literary talents among Assamese community in Kuwait.

I would like to highly commend Asom Association, Kuwait for its efforts in organising various socio-cultural events for the benefit of our Assamese community in Kuwait.

While extending my warm greetings to all members of Asom Association, Kuwait. I wish Rongali Bihu celebrations all success.

(Sunil Jain)

ص.ب : ١٤٥٠ - الرمز البريدي ١٣٠١٥ الصفاة - الكويت - تلفون : ٦١٣ / ٦١٢ / ٢٢٥٣٠٦٠٠ فاكس : ٢٢٥٤ ٦٩٥٨
P.O. Box 1450, Safat 13015, Kuwait - Tel. : 2253 0600 / 612 / 613 - Fax : 2254 6958
E-mail : amboffice@indembkwt.org

सत्यमेव जयते

Tarun Gogoi

Chief Minister, Assam
Guwahati

Dispur
28/04/2014

MESSAGE

I am happy to know that Asom Association, Kuwait is going to celebrate Rongali Bihu on 29th May, 2014 in Kuwait with programmes showcasing our rich cultural heritage and a souvenir is being published on the occasion.

I hope the celebration will usher in peace, progress and prosperity for all and it will help in strengthening the bond of amity and unity among the people of our State residing in Kuwait and the people of the foreign country.

I wish grand success of the celebration.

(TARUN GOGOI)

From the President's desk

At the outset, I along with my family wish you all a very happy and colourful Rongali Bihu & a very prosperous New Year. This is the season of festivity in Assam and staying thousands of miles away we all feel nostalgic as pleasant memories keep reverberating in our mind.

In pursuit of creating a home away from home, Asom Association has come a long way right from its inception in 2009, making every effort to promote the rich art & culture of our region. The glorious past of this wonderful organization has been decorated with numerous achievements of our talented members.

With an ever increasing trend of our membership base over the years, we have been able to organize various events in a much bigger scale and with our trademark high degree of perfection, each event was tremendously successful. Spreading our wings further we have become increasingly involved in our benevolence & charity works. Rightly christened "ASHA", our social welfare wing has done a commendable job in helping out our needy brothers & sisters back home and we pledge to do more in coming years.

Like every year, this time too we are celebrating our beloved Rongali Bihu, the mother of all festivals to mark the advent of the Assamese New Year. This festival brings happiness and joy to every one of us and we display this in the form of the vibrant Bihu Dance. Striking a chord of bonhomie and brotherhood, Rongali Bihu is celebrated irrespective of caste, creed, religion and language by everyone in Asom and the adjoining sister states. Rongali Bihu plays a pivotal role in uniting the diverse culture of the north east which we are so proud of.

The Assamese community in Kuwait under the aegis of AAK has already kick-started the celebration of Rongali bihu with 'Khel Dhemali' where the members enjoyed our traditional *Jalpaan*, fun & Games and a mega Assamese Lunch on 18th April, 2014. Our celebration will be culminating with a Grand Cultural Evening on 29th of May, 2014 at Indian Embassy Auditorium, Kuwait. Miss Bornali Kalita, a renowned and popular vocal artist from Assam will be performing in the program where our talented members and children will also perform various cultural activities. To commemorate this special occasion, we are publishing our annual magazine "Jetuka" which showcases the literary talents of our community in Kuwait.

I am sure that we will continue to strive for better and bigger role in spreading the rich culture of Asom and pledge to serve our members and the community as a whole. I along with my family once again wish all of you a bright fun-filled future and a happy new year.

Jai Aai Asom

Anup Bora
President
Asom Association, Kuwait

General Secretary's Report

Heartfelt best wishes to all the members of Asom Association Kuwait for a lovely Rongali Bihu and a prosperous New Year!

It has been an honour and pleasure to have served AAK as the General Secretary for the period 2013-2014 and we have put in our best efforts to keep up the wonderful legacy left behind by the previous committees. It has been our endeavour to keep the rich heritage and cultural of Assam alive and thriving here in Kuwait through our activities though we are miles away from our dear Motherland. I am sure our children could also derive true benefit by experiencing our rich cultural tradition from our efforts at the AAK. The brief description of our activities during the fruitful year is given below:

Autumn Festival/Xarodiyo Utsav 2013: Coinciding with the advent of the festive season of Autumn, The Autumn Festival/Xarodiyo Utsav 2013 was celebrated on 8th November 2013 with a colourful cultural program at the 'Mughal Mahal' Restaurant, Fahaheel. It was a memorable evening with excellent performances by the talented children of the AAK community of all ages. There were songs, dances, recitations, musical instrument performances, etc. A hilarious comedy skit by the enthusiastic AAK ladies team kept the audience gripped and sent them to raptures of laughter. There were also rounds of trivia quiz among the audience in between the performances which kept everyone racking their brains to come up with the right answers and grab the prizes. A raffle draw was conducted by the AASHA team as a fund raising activity to support the AAK humanitarian and charitable initiative. The opportunity of the event was also taken to introduce the newly joined AAK members. The day ended with an elaborate and sumptuous dinner which was relished one and all.

Charitable Initiative (AASHA): Continuing with the legacy of "AASHA" (Asom Association Salve for Humanitarian Aid) which was initiated last year, this year too a consignment of Fit-For-Purpose used items like Clothes, Shoes etc. collected and contributed generously by the AAK members has been dispatched to the NGO named Abakash Majuli in the month of March '14. Furthermore, the AASHA is in communication with an organization to provide some helping hand for the rehabilitation of physically challenged persons back home in Assam.

Magh Bihu 2014: The harvest festival of Magh Bihu was celebrated on 16th & 17th January 2014 in the indyllic environs of a beautiful green farm in Abdaly far away from the city limits. In true community spirit, couple of families had an overnight stay at the farm house. There was 'bhoj' arranged and everyone had a charming time with spontaneous sessions of music and 'adda' around a bonfire in the enchanting winter night. The next morning saw the arrival of the rest members in large numbers and in true Assamese spirit the traditional bonfire 'Meji' was lit and a variety of homemade snacks and jalpan were laid out by the ladies. The children had rounds of horse rides around the farm and there were fun and games. Finally there was a delicous lunch with hot food cooked right on the spot at the farm house!

On-the-spot Art and Creative Writing Competition 2014: As part of the mega celebration of Rongali Bihu, the Art competition for children and a creative writing competition for the adults, introduced for the first time, was organized on 25th February 2014 at the Fintas Park, Mahboula by the Jetuka Souvenir Team. The park had the perfect ambience with the greenery and trees all around for a creative day out.

Rongali Bihu 2014 'Khel Dhemali': Living up to the true Assamese spirit, we welcomed the traditional New Year with an outdoor event at the Fintas Park, Mahboula on 18th April 2014. The ladies came up with excellent and delicious array of Assamese snacks of Laaru-Pithas and Jalpan. There were fun and games for young and old alike. The games of 'Tekeli Bhongaa' and 'Koni Joonj' kept everyone enthused reliving the way it is done back home in this festive time. The food team arranged for a elaborate traditional Assamese lunch prepared lovingly and with warmth at individual homes of our dear members.

I take this opportunity to express my sincere gratitude to all the members and patrons who have supported our activities so very enthusiastically all throughout our tenure. The spirit of camaraderie amongst all the members and their children facilitated me to carry out the work with much ease and satisfaction.

সমূহ অসমীয়া ৰাইজলৈ ৰঙালী বিহু আৰু নৱবৰ্ষৰ আন্তৰিক শুভকামনাৰে

জয় আই অসম

Abhijit Sharma
General Secretary
Asom Association Kuwait

EDITORIAL
সম্পাদকৰ কাপেৰে

মন আজি মোৰ উগুল-খুগুল
বৰদৈচিলাই উৰুৱাই নিব যেন মোক
মোৰ জননীৰ কোলালৈ
ৰ'দে জলমল সোণসেৰীয়া অতীতলৈ ....

Appositely expressed in these poetic words; every Assamese away from home, might be having the same nostalgic feeling in every spring season 'বসন্ত'('Basanta') that brings along with it the most colorful festival – 'Rongali Bihu'. We, the Assamese people residing abroad, miss our motherland dearly; specifically during Bihu. Solemnised by the ethnic Assamese people since ancient time, Bihu is connected to the agricultural roots and traditionally celebrated with days-long festivities filled with Bihu dance, Bihu songs and Bihu delicacies. People exchange greetings and seek blessings from the elders and the Almighty.

Living in Kuwait, about five thousand kilometers away from our homeland, we miss the jubilant festivities of Rongali Bihu that engulf the entire valley of the 'Red River (the mighty Brahmaputra) and the Blue hills' during the spring season. It is the innate bonding to the rich cultural traditions and youthful spirit of Rongali Bihu that spontaneously inspires every Assamese, whether living in Assam or any other part of the world, to celebrate Bihu every year. We too, the Assamese community in Kuwait, observe the 'বাপতিসাহোন ৰঙালী বিহু'-Rongali Bihu in the most befitting way possible, by organizing community Bihu with a variety of homemade 'Bihu Jalpan'-the Bihu delicacies, Bihu songs, Bihu dance, traditional games, children's art competition, cultural function etc..

This souvenir জেতুকা ('Jetuka'), has been a wonderful collection of kaleidoscopic literary pieces. Unveiling their hidden talents, the children and the members have presented their thoughts, feelings and experiences in their own fabulous ways. The literary contributions from the guest writers have greatly enriched the souvenir. Working for our souvenir 'Jetuka' has been a wonderful experience for us. It would not have been possible to publish this yearly souvenir without the literary contributions received. We offer our sincere thanks to all.

This year's literary & artistic events have also marked the introduction of Members' On-the-spot Creative Writing Competition which was held along with the annual Children's Art Competition in the lush green Fintas Park. The spirit of participation, enthusiasm, and talents shown by the participants have really been praiseworthy.

Our innate bonding to our homeland has beckoned us also to address one serious concern related to our homeland. In the recent times rampant poaching of one-horned rhinos has been a very serious matter of concern. In an expression of our deep rooted affection for this exotic endangered animal, we have presented the pages of this souvenir with a background picture themed – 'Rhino'. We appeal to all, specially the people of Assam, to come forward and join hands to save this innocent animal.

Away from our homeland, we celebrate Bihu in its true spirit, with a hope to pass on the legacy to our next generation so that they will remain connected to their roots, culture and traditions though they might be in places around the world in pursuit of their interests, career and livelihood. It is like handing over the cultural baton from one generation to the next.

অসমীয়া সমাজখনিৰ ঐক্য আৰু সংহতিৰ ধাৰক আৰু বাহক বিহুৱে আমালৈ কঢ়িয়াই আনে অনাবিল আননদ, প্ৰেম আৰু মিলনৰ বতৰা। কুৱেইটৰ অসমীয়া সমাজখনিয়ে এই বিহু উদযাপনৰ যোগেদি প্ৰতি বছৰে জননী জন্মভূমি অসমৰ পৰা সুদূৰত থাকিও কণমান হ'লেও মাতৃৰ ধাৰ শুজিবলৈ আশাশুধীয়া প্ৰচেষ্টা চলাই আহিছে। সকলোৰে সহায় সহযোগত কুৱেইটৰ এই বিহুৱে প্ৰতি বছৰে নতুন প্ৰচেষ্টা আৰু নতুন পদক্ষেপেৰে এখোজ-দুখোজকৈ আগবাঢ়ি গৈ থাকিবলৈ সক্ষম হৈছে। জন্মভূমিৰ ভাষা সংস্কৃতিক এটা প্ৰজন্মই আনটো প্ৰজন্মলৈ কঢ়িয়াই লৈ যোৱাৰ বাবে ই এটি অতি সন্তোষজনক পদক্ষেপ। আমাৰ উঠি অহা প্ৰজন্মক এই আপুৰুগীয়া সংস্কৃতিৰ প্ৰতি সদা সচেতন কৰি ৰখাৰ গুৰু দায়িত্ব আমি সদায় বহন কৰি যাবৰ বাবে সংকল্পবদ্ধ হ'ব লাগিব।

সুখে-দুখে, জীৱনে-মৰণে মাতৃভূমিৰ অমৃত পৰশা শক্তিক আমি উলাই কৰিব নোৱাৰো। মাতৃভূমিৰ প্ৰতি থকা মৰমৰ লগত আন ভাষা-সংস্কৃতিৰ আগ্ৰহৰ কোনো বিৰোধিতা নাই। আমাৰ সন্তানহঁত পৃথিৱীৰ য'তেই নাথাকক কিয় তেওঁলোকৰ মুখৰ পৰা এই সুৰীয়া সুৱদি মাত যেন কেতিয়াও হেৰাই নাযায়।

জয় আই অসম।

Editorial Board:

Bharati Sharma

Anupam Rajkhowa

Chinmoy Dutta

Alok Das

Mriganga Das

Offering comprehensive Environmental and Oil field services

optimising Science & Nature...

NAPESCO
نابسكو

Oil Field Services
Cementing & Stimulation
Coiled Tubing & Nitrogen
Downhole Service Tools
Seismic Processing Analysis
Petroleum Engineering
Reservoir Studies

HSE Services
Waste Management
Monitoring & Laboratory
HSE Consultancy Studies
Halon Management
Soil Remediation

Industrial Products & Services
Valves and Actuation Systems
Batteries, Power Supplies
Chemical Injection & Metering Skids
Process & Separation Technologies
Fire Engineering and Consultancy

الشركة الوطنية للخدمات البترولية (ش.م.ك) مقفلة

National Petroleum Services Company (K.S.C.) Closed
(NAPESCO)

P.O. Box : 9801, Ahmadi 61008 - Kuwait. Tel. : (+965) 22251000, Fax : (+965) 22251010
Corporate info : corporate@napesco.com Business info : bdg@napesco.com

www.napesco.com

Executive Committee of Asom Association Kuwait meets the Ambassador of India to Kuwait

From left to right: Debahuti Kakati Das, Anjali Rajkhowa, Chiranjit Barua, Barada Talukdar, Anup Bora, HE Sunil Jain (Ambassador of India to Kuwait), Gholam Rabbani, Jayanta Thakur, Arabinda Dutta, Abhijit Sharma

Members of Executive Committee, Asom Association Kuwait - 2013-14

From left to right: Chiranjit Barua, Bhaskar Hazarika, Mriganga Das, Abhijit Sharma (General Secretary), Barada Talukdar, Arabinda Dutta (Vice President), Dr. Anjol Saikia, Debahuti Kakati Das, Anup Bora (President), Jayanta Thakur (Treasurer), Anjali Rajkhowa

Members of Bihu Committee, 2014

Front row (left to right): Madhuchanda Nath, Mousumi Talukdar, Nilakshi Bora, Pompi Hazarika, Atrayee Barua, Masum Rajkhowa, Priyanka Konwar, Ranita Dutta, Mouchumi Sharma, Bharati Sharma, Mitali Goswami Back row (left to right): Mriganga Das, Alok Das, Chinmoy Dutta, Amitabh Talukdar, Bijan Goswami, Rajib Rajkhowa

বিহুনামঃ বুৰঞ্জীঃ সমাজ

তীৰ্থ নাথ ফুকন

"অ' কোম্পানী পালেহি জাপানী
পালেহি জাপানী
পলাইবা সাৰিবি
পলাইবা সাৰিবি ক'ত?"

এতিয়াৰ পৰা আঢ়ৈকুৰিমান বছৰৰ আগতে আমাৰ গাঁৱৰ ফালে তেতিয়াৰ বিহুৱাসকলে গোৱা এই বিহুনামফাকি আজিও মনত আছে। আমি তেতিয়া তেনেই সৰু, বোধকৰো প্ৰাথমিক বিদ্যালয়ত। ক'ৰনো কোম্পানী, কিনো জাপানী তাৰ একো ভু-ভটং পোৱা নাছিলোঁ। ভু লোৱাৰ মন বা গৰজো নাছিল। গাইছে গাইছে আৰু, বিহুত কত ধৰণৰ নাম গায়। এতিয়া মাজে মাজে ভাবো এয়া নিশ্চয় বিহুৱাৰ মনত পৰা সেই সময়ৰ পৰিস্থিতিৰ প্ৰভাৱ। কোম্পানী বুলি চাগৈ ব্ৰিটিছৰ ইষ্ট ইণ্ডিয়া কোম্পানীকে কৈছিল আৰু জাপানী মানে বুজাইছিল নেতাজী সুভাষ বসুৰ নেতৃত্বত আগবাঢ়ি অহা আজাদ হিন্দ্ ফৌজ। আৰু ভাবো বিহুনামফাকি সেই সময়ৰ সাধাৰণ মানুহৰ মনত জাপানী বা আজাদ হিন্দ্ ফৌজৰ প্ৰতি থকা সমৰ্থনকে বুজাইছে নেকি? সি যি কি নহওঁক সেই সময়ৰ পৰিস্থিতিৰ আভাস এই নামফাকিয়ে আমাক দিয়ে। আকৌ হাইস্কুলৰ তলৰ শ্ৰেণীত পঢ়ি থকা সময়ত শুনিছিলোঁ এফাকি বেলেগ ধৰণৰ জাত নাম।

"ইনকিলাব জিন্দাবাদ
আহিব সাম্যবাদ
আহিব সমাজবাদ
ক'লে বেয়া লাগে
লগৰ সমনীয়াই
জে'লত খাই আছেগৈ ভাত।"

সেই সময়ত আৰ চি পি আই- মানে বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ আন্দোলনে অসম কঁপাইছিল। উজনিৰ ফালে খগেন বৰবৰুৱা, ষ্টেন বৰুৱা আদি নেতাসকল তেতিয়া 'লিভিং লিজেণ্ড'। গাঁৱে গাঁৱে সৈন্যবাহিনীৰ জোৱানৰ তাণ্ডৱ। অলপ দীঘল চুলিৰ ডেকা পালেই কৰে এৰেষ্ট। জাকে জাকে ডেকা ল'ৰা জে'লত। সেই সময়তে জনকবিয়ে ৰচিলে এইষাৰ বিহু। আৰু এষাৰ জাত নাম শুনিছিলোঁ প্ৰায় সেই সময়তে। ৰচিত হৈছিল সেই সময়ৰ ৰাজহ মন্ত্ৰী দেৱেশ্বৰ শৰ্মাক লৈ-

"আক কি দেৱেশ্বৰ
অতিকে স্বাৰ্থপৰ
টকাতে অনাকৈ খাজনা বঢ়ালি
দুখীয়াৰ মূৰতে
মাধমাৰ মাৰিলি
অ' দেৱেশ্বৰ কেলৈ এনেকুৱা
কেলৈ এনেকুৱা হ'লি।"

বোধহয় সেই সময়ত চৰকাৰে মাটিৰ খাজনা বঢ়াইছিল। দুখীয়া কৃষকৰ মূৰত সেয়া আছিল মাধমাৰ আৰু জনকবি ৰচিত বিহুনামত এনেদৰে প্ৰকাশ পাইছিল কৃষকৰ প্ৰতিক্ৰিয়া।

এই কেইষাৰ নাম চল্লিশ-পঞ্চাশ দশকৰ। সেই সময়ত গাঁৱে-ভূঞে পঢ়া-শুনা কৰা মানুহ কিছু পৰিমাণে ওলাইছিল। গতিকে জনকবিৰ সমাজ সচেতনতা অস্বাভাৱিক নহয়। কিন্তু পোনপ্ৰথম ইংৰাজে এই দেশত শাসন আৰম্ভ কৰাৰ সময়ত ৰচিত কিছুমান বিহুনাম শুনিলে জনকবিৰ সমাজ সচেতনতা প্ৰশংসা নকৰি নোৱাৰি। সেই সময়ততো পঞ্চাশৰ দশকৰ দৰে গাঁৱে-ভূঞে আধুনিক শিক্ষাৰ আৰম্ভই হোৱা নাছিল। সেই সময়ত বিহুনামত আছিল এই চিত্ৰ-

বঙাল বঙাল কিনো বঙাল ঐ
বঙালে আছিলে চাই,
সাত ৰাজ মাৰি একেৰাজ কৰিলে
ল'লে যোৰহাটত ঠাই।
বিলাতী চেহাবে বাগিচা পাতিলে
মূৰত চৰু হেন টুপী,
কুলীৰ ছোৱালীক মেমনি কৰিলে
মুখতে চেলেউ হুপি।
ছাঁ পাই বগলী নাচে সমনীয়া
ছাঁ পাই বগলী নাচে।
কোন শতৰুৱে চেহাবক ক'লেগৈ
মৈদামত ধন-সোণ আছে।
শিৱসাগৰ শুকাব আফু কানি ওলাব
আফিঙৰ পাতিব বেহা
কোম্পানী বাগিচা সদাগৰী কৰিব
ডেকা ল'ৰা কৰিব বুঢ়া।

কোম্পানীৰ আমোলৰ এই বিহুনামবোৰ দেখি ক'ব পাৰি আমাৰ গাঁৱৰ জনকবিসকল প্ৰকৃতাৰ্থতে সমাজ সচেতন আছিল। ইংৰাজ অহাৰ আগৰ সময়ৰ আহোম স্বৰ্গদেউসকলৰ ৰাজত্বকালত ৰচিত বুলি ধাৰণা কৰিব পৰা কিছুমান বিহুনামেও জনকবিৰ সময় তথা সমাজ সচেতনতাৰ পৰিচয় দিয়ে। 'স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ' এইশাৰী নাম আমি সকলোৱে জানো। আহোম যুগত ৰচিত আৰু দুফাকিমান নামেও সেই সময়ৰ কিছু আভাস দিয়ে।

স্বৰ্গদেৱে আনিলে চুতীয়া কাড়ী ঐ
বুকু বহল বহল চাই,
এঠেঙা ভিৰাই মাৰে শৰ ধনু
হেদামত সৰকি যায়।

আহোম স্বৰ্গদেউসকলে যে এই ৰাজ্যৰ আদি অধিবাসী মৰাণ, মটক, চুতীয়া, বৰাহী, কছাৰী সকলো জাতিৰ মানুহক বিভিন্ন কামত মকৰল কৰিছিল তাৰে আভাস এই গীতফাকিয়েও দিয়ে। এই সময়ৰ কিছু নাম আছিল এনেধৰণৰ-

চৰাই ধান খাব ছিটিকি পৰিব
উফৰি পৰিবৰ কণ,
কিনো চাই আছ গগৈ ৰাজখোৱা
মানতৰাই জিনিলে ৰণ।
পূবেদি ওলাবৰ ৰেণু সমনীয়া
পূবেদি ওলাবৰ ৰেণু,
সুন্দৰ বৰগোহাঁই ৰণলৈ ওলালে
আটাই ঘুণে খোৱা ধনু।
চৰাই চিকণ তেলীয়া সাৰেং ঐ
মাছৰ চিকণ মালী,
স্বৰ্গদেউ চিকুণ কেকোঁৰা দোলাখন
শুৱায় গজপুৰৰ আলি।
জোনৰে সাৰথি তৰা সমনীয়া
জোনৰে সাৰথি তৰা
স্বৰ্গদেউৰ সাৰথি গন্ধীয়া ফুকন
মাতে তাওকাকৰ পৰা।

এইদৰে আহোম ৰাজত্বৰ কালৰে পৰা স্বৰাজোত্তৰ কাললৈকে ৰচিত কিছুমান বিহুনামত সমাজ তথা সময়ৰ ডুখৰীয়া ছবি পোৱা যায়। অৱশ্যে এই কালছোৱাৰ পিছতো প্ৰতি বছৰেই বিহুৱাসকলে নতুন নতুন বিহুনাম ৰচি আহিছে, গাই আহিছে। কিন্তু অতি সাম্প্ৰতিক কালৰ বিহুনামবোৰত আগৰ দিনৰ নামবোৰৰ দৰে সময় তথা সমাজ সচেতনতা দেখা নাযায়। পুৰণিকালৰ বিহুনামৰ সন্দৰ্ভত ১৯২৩ চনতে তেতিয়াৰ শিক্ষামন্ত্ৰী খান বাহাদুৰ চৈয়িদুৰ ৰহমান, এম এ বি এল ডাঙৰীয়াই কৰি যোৱা মন্তব্য-''To a casual reader, these pastorals may appear state and common place hearing no efficacy beyond affording certain vulgar enjoyment to the rural youths of Assam, but to curious student of literature they are of historic importance as they do one of the chief stocks in trade of Assamese literature." সাম্প্ৰতিক কালৰ বিহুনামবোৰৰ সন্দৰ্ভত ক'ব পাৰিনে বাৰু?

এইখিনিতে আৰু এটা কথা ক'ব পাৰি। আহোম ৰজাৰ ৰাজত্বকালৰ উল্লেখ থকা বিহুনামো খুব বেছি পোৱা নাযায়। প্ৰাক্ আহোম যুগৰো কোনো কথাৰ উল্লেখ বিহুনামবোৰত একেবাৰে দেখা নাযায়। ইয়াৰ কাৰণ হিচাপে ধাৰণা কৰিব পাৰি স্বৰ্গদেউ ৰুদ্ৰসিংহই পোনপ্ৰথমে বাঁহ-কাঠৰ ৰংঘৰ নিৰ্মাণ কৰাৰ আগলৈকে হয়তো ৰজাৰ সন্মুখত বিহু পৰিৱেশন কৰা হোৱা নাছিল আৰু সেইবাবে গাঁৱৰ গছৰ তলে তলে অ'ত-ত'ত ডেকা-গাভৰুৱে বিহুৰ বতৰত নাচি থকা বিহু নাচে ৰজঘৰীয়া স্বীকৃতি পোৱা নাছিল আৰু বিহু নৃত্য-গীতে এক সংঘবদ্ধ ৰূপ পোৱা নাছিল। ৰুদ্ৰসিংহৰ ৰজত্বকাল আছিল ১৬৯৫ খ্ৰীষ্টাব্দৰ পৰা প্ৰায় ১৮ বছৰ। উল্লেখযোগ্য যে ৰংঘৰৰ প্ৰথম নাম আছিল হেয়ালী ঘৰহে? তুংখুঙীয়া বুৰঞ্জীত আছে 'আত পাচে বংগালৰ হাতে ৰংগপুৰত হেয়ালী ঘৰ সাজিলে। টেঙাবাৰীত তলাতল ঘৰ সজালে। ৰংপুৰত গোসাঁইৰ দ'ল বন্ধালে।' বৰ্তমান থকা ৰংঘৰটো নিৰ্মাণ কৰে স্বৰ্গদেউ প্ৰমত্ত সিংহদেৱে। বুৰঞ্জীত আছে 'পাছে এওঁ ৰাজাদেৱেই কাঠৰ ঘৰৰ দৰে দুই টুপীয়াকৈ ৰংপুৰত পকী কৰিলে আৰু গড়গাঁও নগৰৰ দুৱাৰ-ঘৰ পকী কৰিলে।' (তুংখুঙীয়া বুৰঞ্জী) ৰংঘৰ বাকৰিত বিহু মেলা বহিছিল, বিহু নৃত্য-গীত হৈছিল সেইবোৰ বুৰঞ্জীসিদ্ধ কথা। প্ৰমত্ত সিংহ ৰাজপাটত উঠিছিল ১৭৪৪ খ্ৰীষ্টাব্দত আৰু শাসনকাল আছিল প্ৰায় ছয় বছৰ। গতিকে ক'ব পাৰি যে ১৭ শ শতিকামানৰ পৰাহে আমাৰ বিহুনৃত্য ৰজাঘৰীয়া স্বীকৃতি লাভ কৰি এক সংঘবদ্ধ সাংস্কৃতিক ৰূপ পায় আৰু সেয়ে সেই যুগৰ গীত পদো বৰ বেছি পোৱা নাযায়।

সি যি কি নহওক ক'ব পাৰি যে আগৰ জনকবিসকল সততে সমাজ তথা সময়ৰ প্ৰতি সদা সচেতন আছিল বাবেই নামবোৰত বিভিন্ন যুগৰ ঐতিহাসিক সামাজিক পৰিস্থিতিৰ কিছু প্ৰতিচ্ছবি পোৱা যায় আৰু এইবাবেই বিভিন্ন সময়ৰ দাপোণ এইবোৰ বিহুনাম যুগে যুগে লোকগীত হৈ আছে আৰু থাকিব। কাৰণ, যিবোৰ লোকগীত যুগে যুগে মানুহৰ মুখে মুখে চলি থাকে সেইবোৰহে প্ৰকৃতাৰ্থৰ লোকগীত।

(গুৱাহাটী নিবাসী শ্ৰীযুত তীৰ্থ নাথ ফুকন অসমৰ এজন প্ৰসিদ্ধ লিখক আৰু বিহু বিশেষজ্ঞ হিচাবে পৰিচিত। বিখ্যাত হিন্দী উপন্যাস 'তামস'ৰ বিশিষ্ট অনুবাদৰ বাবে তেখেত সাহিত্য অকাডেমি অনুবাদ বঁটাৰে সন্মানিত।)

সম্প্ৰীতিৰ এনাজৰী

ভাৰতী শৰ্ম্মা

শৈশৱৰ দিনবোৰৰ পৰা এতিয়ালৈকে জীৱনৰ এই সুদীৰ্ঘ বাটছোৱাত মাঘবিহু, উৰুকা আদি বিভিন্ন সময়ত বিভিন্ন ধৰণেৰে পালন কৰি আহিলোঁ। কিছুমান কথা যেন তাৰ ছবিৰ দৰে এটি এটিকৈ মনলৈ উভতি আহে। তাৰ মাজৰে হয়তো বহুকেইখন ছবি নিয়তিৰ হাতত বিলীন হৈ গৈছে। নোপোৱাবোৰ বা হেৰাই যোৱাবোৰ ধৰি থাকিলে কষ্টহে পোৱা যায়। সেয়েহে সন্মুখেৰে পাৰ হৈ যোৱা বা আহি থকা সুন্দৰ সুন্দৰ বস্তুবোৰ মই উপভোগ কৰিবলৈ প্ৰয়াস কৰোঁ।

তাৰেই এটি হ'ল এইবাৰৰ ২০১৪ ৰ কুৱেইটত মাঘ বিহুৰ উৰুকা আৰু পাচদিনাৰ মেজি বিহু। কিন্তু প্ৰকৃত তাৰিখটোত সেইখিনি পাতিবলৈ অসুবিধা, কিয়নো সেইকেইটা দিনত স্কুল আৰু অফিচবোৰৰ ছুটী নাথাকিব। গতিকে নিৰ্বাচন হ'ল জানুৱাৰী মাহৰ যোল্ল তাৰিখ। আচল দিনকেইটাত অৱশ্যে ঠাইতে লগ পাব পৰা অসমীয়াকেইঘৰেই মিলি সুন্দৰকৈ বিহু উদ্‌যাপন কৰিলোঁ। কিন্তু বিদেশত থাকি কুৱেইটবাসী সমূহ সমূহ অসমীয়াই একগোট হৈ বিহু পালন কৰিব নোৱাৰিলে যেন সেই বিহু প্ৰকৃত অৰ্থত সম্পূৰ্ণ নহয়।

অসম এচচিয়েশন, কুৱইটৰ ফালৰ পৰা সেয়েহে আগৰ বাৰৰ দৰে এইবাৰো এডোখৰ ঠাই বিচাৰি উলিয়াবৰ বাবে সৰলো তৎপৰ হ'ল। কেইবাবাৰো গৈ মেলি শেষত এডোখৰ বেচ সুন্দৰ ঠাই ঠিক কৰা হ'ল। সেইমতেই নিৰ্দিষ্ট দিনত দুপৰীয়া সোনকালে খাই বৈ উঠি যাবলৈ আৰম্ভ কৰোতেই অহা এটি বাতৰিয়ে তেওঁলোকৰ মনবোৰত খু-দুৱনি লগালেহি। তেওঁলোকে ঠিক কৰি অহা ঠাইডোখৰ হোনো আন কোনোবাই দখল কৰি সোমাই আছে। কি কৰিব কি নকৰিব ভাৱি গুণি থাকোতেই দুটিমান পৰিয়ালে গৈ পালে কি এটা নিশ্চয় হ'ব বুলি সাহস বান্ধি ওলাই পৰিল। তাকে দেখি আনবোৰো এটি এটিকৈ যাবলৈ আৰম্ভ কৰি দিলে। সিডোখৰ ঠাইৰ ওচৰতে আন ঠাই তেওঁলোকে দেখি আহিছিল — যদিও সেইখিনি সিমান সন্তোষজনক নাছিল। সেই ঠাইৰ তদাৰকীত থকা এজন মানুহ নূৰে সেইখিনি ঠাইকে ঠিক কৰি থৈ দিব বুলি খবৰ দিলে। যথাসময়ত সকলোবোৰ সেই ঠাইত গৈ উপনীত হ'ল। এডোখৰ ভাল ঠাই দেখাৰ পাচত সেই ঠাই দেখি প্ৰথমতে কাৰো ভাল নলগাটোৱেই স্বাভাৱিক। থাকিবৰ বাবে দিয়া ঘৰকেইটা বৰ বেয়া নহয় যদিও গা ধোৱা ঘৰ মাথো দুটা। ৰান্ধনীঘৰটোও আগৰটোতকৈ যথেষ্ট সৰু। পিচদিনালৈ দুই এপদ ব্যঞ্জন বান্ধিবলৈকো আছে। অৱশ্যে খোলাকৈ ৰান্ধিবৰ বাবে সুকীয়া গেচ বাৰ্ণাৰ আদিৰ যতন লগত লৈ যোৱা হৈছে। গা ধোৱা ঘৰ কেইটিও মনঃপুত নহয়। ভিতৰৰ আচবাব পত্ৰবোৰ সুন্দৰ পৰিস্কাৰ পৰিছন্ন যদিও দুই এটা এৰাব নোৱৰা অসুবিধা আছে। অৱশ্যে ইতিমধ্যে নুৰে নিস্ত্ৰী আনি সেই অসুবিধাকণ দূৰ কৰি দিলেহি। জোতাৰ পৰা অহা বোকা বালিয়ে অপৰিস্কাৰ কৰি ৰখা মজিয়াখন পানী ঢালি দিব পাৰিলেই সমস্যা সমাধান হ'ব বুলি ভাৱি থাকোতেই দেখিলোঁ ডঃ অঞ্জলে পানী স্প্ৰে কৰি এটি বাথৰুম পৰিস্কাৰ কৰি আছে। তেওঁক দেখি সঁচাকৈ মোৰ বৰ মৰম লাগিল। যি হওক পৰিস্থিতিৰ আলেখ লেখ চাই থাকি সৰহ সংখ্যকেই থাকিবলৈও সাহস গোটাব পৰা নাই, ঘূৰি যাবলৈকো মন কৰা নাই। এনেয়ে কিন্তু ঠাইডোখৰৰ চাৰিওফাৰ পৰিবেশ সুন্দৰ, মুকলি। ডাঙৰ এডোখৰ ঘাঁহনি পথাৰ। দূৰ সীমনাত ডাঙৰ ডাঙৰ গছ গছনিৰে আৱেষ্টিত। ঘৰটোৰ ওচৰৰ ঠাইডোখৰো ফেন্সিঙেৰে আৱৰা। এই শীতৰ ৰাতি মোৰ বুঢ়া হাড়কেইডালে সহিব পাৰিবনে নোৱাৰে বুলি মনে মনে ভয়ো খাইছিলোঁ। পিচে বাহিৰৰ পৰিবেশত উৰুকাৰ মেজিৰ জুই একুৰা কল্পনা কৰি সেই সুবিধা এৰি অহাৰ কথা ভাৱিবলৈকে মন নগ'ল। আনন্দ উল্লাসৰ পাচত ৰাতিটো খুব বেচি চাৰি বা পাচ ঘন্টামানৰহে কথা। সেই পৰিবেশত ৰাতিপুৱাটোৰ কথা কল্পনা কৰিয়েই ভাল লাগিল। কুৱেইটৰ মৰুভূমিত এনে এটি পৰিবেশ। গধূলি হৈ অহাৰ লগে লগে মানুহখিনিয়ে ঘূৰি যোৱাৰ কথা পাহৰিবলৈ আৰম্ভ কৰিলে। দুই এটি পৰিয়ালে নান কাৰণত সেই ৰাতি উভতি গৈ ঘূৰি অহাটো ঠিক কৰিলে যদিও ল'ৰাছোৱালীহঁতক ঘূৰাই নিবলৈ অসমৰ্থ কোনো নাযায়। মুকলি পৰিবেশত বন্ধু-বান্ধৱীৰ সৈতে কটাব সেইটোহে তেওঁলোকে জানে। বাকী অসুবিধাবোৰ তেওঁলোকৰ চকুত নপৰে। এনেয়ে আৰাম আয়াসত ডাঙৰ দীঘল হোৱা ল'ৰা ছোৱালীহঁতৰ উৎসাহ দেখি বৰ ভাল লাগিল? ইতিমধ্যে ঠিক হ'ল যে ঘুৰি যোৱাকেইনেও ৰাতি খাই বৈ দেৰীকৈহে যাব। এচচিয়েশনৰ সম্পাদক অভিজিত আৰু তেওঁৰ পৰিবাৰ মৌচুমীৰ মুখকেইখন জীপাল হৈ উঠিল। ৰাতিৰ খোৱাৰ বাবে কোনো চিন্তা নাই। পিংকি অমিতাভে ৰাতিৰ খোৱা আনিছে — তেওঁলোকৰ বিবাহ বাৰ্ষিকী উপলক্ষে। গতিকে স্ফূৰ্টিখিনিহে মাথো কৰিব লাগে। ডঃ অনিন্দিতাই মিহিকৈ কোৱাও শুনিলোঁ - "কিনো হ'ব। ৰাতিটোৰহে কথা তাৰ মাজতে স্ফূৰ্টিখিনিহে কৰিব লাগে।" কথাটো শুনি বৰ ভাল লাগিল। ইতিমধে' পিংকিহঁতে যতনাই অনা চিঙাঁৰা আৰু জেলেপীৰে আৰেলিৰ চাহৰ জুতি ললে সকলোৱে। নিচেই সৰুকেইটিক মাকহঁতে মেগী তৈয়াৰ কৰি খুৱালে। ল'ৰা ছোৱালীখিনিয়ে আমোদ প্ৰমোদৰ বাবে নিজে নিজ ঠাই ঠিক কৰি ললে। ছোৱালীকেইজনীয়ে এটি সৰু কোঠাত থকা দুখলপীয়া বিচনাবোৰ বাচি ললে। সৰু সিনিয়ে মুকলি ঠাইডোখৰত আপোনমনে খেল ধেমালি আৰম্ভ কৰি দিলে। ল'ৰাবোৰে কোনোবাই ফুটবল, কোনোবাই বেড্‌মিন্টন খেলাত লাগিল। ডাঙৰ সৰু সকলোৱে বেড্‌মিন্টনত ভাগ ললে। তাৰ পাচত লাহে লাহে অঞ্জল, বিকাশকে আদি কৰি বাকীখিনিয়ে মিলি উৰুকাৰ মেজি জ্বলালে। সুন্দৰকৈ গোটাই থোৱা খৰিৰে বৰ ধুনীয়াকৈ মেজি জ্বলিল। কোঠাবোৰৰ পৰা উলিয়াই অনা চকীবোৰ মেজিৰ চাৰিওকাষে সজোৱা হ'ল। চিৰঞ্জিত আৰু চুমীয়ে যতনাই অনা চিকেন বাৰবিকিউৰ কাম আৰম্ভ কৰিলে। সকলোৱে আহি মেজিৰ চাৰিওকাষে যোগ দিলেহি। যথেষ্ট ঠাণ্ডা পৰিছিল। গতিকে মেজিৰ জুইৰ উমকণ

সকলোৰে ভালকৈয়ে উপভোগ কৰিলে। লাহে লাহে গানৰ মজলিচ্ আৰম্ভ হ'ল। প্ৰথমে মৌচুমী, জয়ন্ত, ভাস্কৰ, আলোকৰে আৰম্ভ হ'ল। পাচলৈ জুমি, মাচুম, কল্পনা, পম্পী, পিংকি, কণিকা, অনিন্দিতা, নীভা, কৰৱী, প্ৰিয়ঙ্কা আদি সকলোৰে সহযোগ কৰিলে। ভাস্কৰ, অমিতাভে ঢোলতে তবলাৰ চেও দিলে। অভিজিত থাকিল গীটাৰত। ইতিমধ্যে আমাৰ চৌহদত এখন NISSAN গাড়ী ৰ'লহি। মই চাবলৈ ধৰিলো সেয়া বা কোন আহিল। দেখিলোঁ ওচৰৰ ড্ৰিলিং কেম্পৰ পৰা নামিছেহি শ্যামৰতন দাস। মনটো ভাল লাগিল — শ্যামে হেনো ভাল গান গায়। লাহে লাহে তেওঁ মৌচুমীৰ লগতে যোগ দিলে। পাচলৈ শ্যামৰ গান শুনি মুগ্ধ হলোঁ। গানৰ লিপিৰ পৰা সুৰলৈকে তেওঁৰ অৰ্হতা দেখি যথেষ্ট আপ্লুত হ'লো। গীতৰ পথাৰখনিৰ পৰা ন-পুৰণি বচা-বচা গানবোৰ বুটলি তেওঁলোকে গানৰ পৰিবেশটি মধুময় কৰি তুলিলে। কোনো সেইখিনিৰ পৰা লৰচৰ হোৱা নাছিল। ইফালে চুমী আৰু চিৰঞ্জিতে সুস্বাদু মুৰ্গী মাংস সেকা পৰিবেশন কৰি আছে গৰমে গৰমে। মুকলি আকাশৰ তলত বসন্তকালৰ সুন্দৰ পৰিবেশটি বৰ মনোমোহা হৈ উঠিছিল। ল'ৰা ছোৱালীহঁতেও বৰ মুক্ত মনেৰে নিজে নিজে উমলি জামলি ফুৰিছে। কাৰো অকনো আমনি নাই। তাৰ মাজতে কণমানি হিয়া, অনুস্কা, দীক্ষা, কিকি হঁতেও তেওঁলোকৰ মতে দুটিমান গান পৰিবেশন কৰি আনন্দ দিলে। এনেকৈ গানৰ আসৰত চাৰিটা ঘন্টা কেনেকৈ পাৰ হৈ গ'ল ততকে ধৰিব নোৱাৰিলোঁ। চাৰে দহমান বজাত ৰাতিৰ খোৱাৰ কথা চিন্তা কৰা হ'ল। ডাঙৰ ঘৰটোৰ ভিতৰতে খোৱাৰ মেজবোৰ লগোৱা হ'ল। সকলোৰে সুন্দৰকৈ ৰাতিৰ আহাৰকণ খাই উঠি শোৱাৰ যোগাৰ কৰাত লাগিল। ভাগে ভাগে কোঠাবোৰ ঠিক ঠাক কৰা হ'ল। ছোৱালীখিনিক বাঙ্কবেড্‌বোৰত লগত লৈ অহা শোৱাৰ সঁজুলিৰে মাক দেউতাকহঁতে বিচনাবোৰ পাৰি দিলে। তেওঁলোকে কাপোৰ কানি সলাই বিচনাত উঠিল। সৰু ল'ৰাছোৱালীকেইটাক এখন ডাঙৰ বিচনা দিয়া হ'ল আন এটা কোঠাত। মাক নীভা, পম্পী আৰু প্ৰিয়ঙ্কাই তাৰ কাষতে মজিয়াত বিচনা পাৰিলে। ডাঙৰ কোঠা এটাত ডিৱানীবোৰ লগ লগাই ঋষি, নুপুৰ, কৃষ্ণশু আৰু ৰৌণকৰ বিচনা কৰা হ'ল। তাৰ কাষতে আকৌ মজিয়াত বিচনা পাৰিলে মাচুম, কণিকা, মৌচুমী, পিংকি, কল্পনা আৰু অনিন্দিতাহঁতৰ কাৰণে। মই ল'ৰাকেইটিৰ কাষতে কুচি মুচি সোমাই পৰিলোঁ। বিকাশ, জয়ন্ত, বৰদা, সিদ্ধাৰ্থ, মৃগাঙ্গ, ভাস্কৰ, অঞ্জল আৰু অভিজিতে আন এটা কোঠাত বিচনা পাৰিলে। তেওঁলোকে আৰু কিছুসময় মেজিৰ কাষত হাঁহি ধেমালি কৰি ৰাতি ২.৩০ মান বজাতহে শুবলৈ আহিল। গোটেই পৰিবেশটি দেখি অসমৰ আগৰ দিনৰ বিয়াঘৰাবোৰলৈ মনত পৰিল। ঢলা বিচনা পাৰি বিয়াঘৰত একেলগে শোৱাৰ আনন্দকণেই আছিল সুকীয়া। যিহওক টোপনি ভালেই আহিল। ছয়মান মান বজাত আন্ধাৰতে দেখিলোঁ অনিন্দিতাই কাপোৰ কানি লৈ গা ধুবলৈ গ'ল। পুৱা যথেষ্ট জাৰ আছিল যদিও গা ধোৱা ঘৰৰ চিন্তা এটা আছিল বাবে ময়ো লাহেকৈ উঠি গাটো ধুই সাজু হ'লো। গৰম পানী আছিল বাবে অসুবিধা নাপালোঁ। ইতিমধ্যে অনিন্দিতাই গা ধুই আহি মেখেলা চাদৰ পিন্ধি বিহুৰ বাবে সাজু হ'ল। এজনী দুজনীকৈ সকলোৰে গা ধোৱা কাম কণ সমাধা কৰিলে। কণমানিবোৰ সোনকালে উঠি মুকলি পথাৰতে খেল ধেমালি আৰম্ভ কৰি দিলে। ৰাতিপুৱাৰ সেই সূৰ্য্যোদয়ৰ সময়খিনিৰ মনোমোহা দৃশ্যই মনবোৰ ভৰাই তুলিছিল। প্ৰকৃতিৰ সেই সুবিমল মুক্ত পৰিবেশটিত নিয়ৰসিক্ত দুবৰি আৰু শান্ত সমাহিত পৰিবেশে অসম মাতৃৰ কথা বাৰে বাৰে মনত পেলাই দিছিল। মই ইলেকট্ৰিক কেটলি এটাত ৰঙা চাহ অলপ যোগাৰ কৰিলোঁ। অনিন্দিতাই নিজে তৈয়াৰ কৰি অনা সুস্বাদু পিঠা এটি লগতে পৰিবেশন কৰিলে। ডঃ অঞ্জলেও নিজে সুন্দৰকৈ কফি তৈয়াৰ কৰি সকলোৰে হাতে হাতে বিলাই গ'ল। আত্মীয়তা, পৰস্পৰৰ বুজাবুজি আৰু হাঁহি আনন্দেৰে গোটেই পৰিৱেশটি মধুময় হৈ উঠিল। মই মেজিৰ

প্ৰসাদৰ ব্যৱস্থাকণ সাজু কৰি থলোঁ। ছোৱালীহ'তে নিজহাতে ভাগে ভাগে তৈয়াৰ কৰি অনা পিঠা-পনা, জা-জোলপানেৰে বাহিৰতে টেবুল সজালে। পুৱা এঘাৰ বজাত মেজি জ্বলোৱাৰ সময় দিয়া হৈছে। কাৰণ পুৱাৰ বিহুৰ বাবে আৰু বহুখিনি মানুহ আহিব। ঠিক এঘাৰ বজাত হৰিধ্বনিৰ মাজেৰে মাহ প্ৰসাদ, পিঠা-পনা আগ বঢ়াই মেজি জ্বলাই সেৱা কৰা হ'ল। তাৰ পাচত এটি দুটিকৈ ভালে কেইটি পৰিয়াল আহি পোৱাত বিহুতলী গম্‌গমীয়া হৈ উঠিল। জাৰ কমি গৈ ৰ'দ ওলাইছিল। সকলোৰে মিলি উভৈ নদীকৈ গোট খোৱা জা-জলপানেৰে বিহু খোৱাৰ পাচত ভাগে ভাগে দাইল, মাছ, মাংস আদিৰে ৰন্ধাৰ কাম আৰম্ভ হ'ল। লগতে ৰুবী আৰু ৰঞ্জিতে কৰা গৰম গৰম বেঙেনা ভজা। যথেষ্ট হাঁহি ধেমালি আৰু আনন্দৰ মাজেৰে খোৱা বোৱা শেষ হৈছিল। সকলোখিনি কাম শেষ হোৱাৰ পাচত আকৌ জুইৰ কাষত অকণমান জিৰণিৰ সময়ছোৱাত মীৰাই এটি নেপালী আৰু এটি অসমীয়া গীতেৰে, অতুল সাহে দুটি হিন্দ গীতেৰে, আৰু শেষত অনুপমে এটি অসমীয়া গীতেৰে সেইদিনাৰ বিহুৰ সামৰণি মাৰিছিল।

সকলোৰে শুভাকাংক্ষা আৰু সহযোগত যে একোটি সন্ধিয়া, একোটি দুপৰীয়া ইমান সুন্দৰ আৰু সফল হৈ উঠিব পাৰে তাকে দেখি বৰ ভাল লাগিল। মানুহৰ মাজৰ এনে মৰম-প্ৰীতি আৰু একতাৰ বান্ধোন দেখিলে সঁচাকৈ দুচকু আনন্দৰ অশ্ৰুৰে ভৰি আহিব খোজে। কোনো এটি অনুষ্ঠান জীয়াই ৰাখিবলৈ, এনে সম্প্ৰীতিৰ বান্ধোন অটুট ৰাখিবলৈ নানাজনৰ অহোপুৰুষাৰ্থ, ত্যাগ, ধৈৰ্য্য আৰু দৃঢ়তা লাগে। অন্যথা এইবোৰ অকলে কৰি উঠা সম্ভৱ নহয়। "ৰাইজে নখ জোকাৰিলে নৈ বয়"। এটা পুৰুষে আনটো পুৰুষলৈ এইবোৰ কঢ়িয়াইলৈ যাবলৈ প্ৰতিজন দৃঢ় প্ৰতিজ্ঞ হ'ব লাগিব। তেতিয়াহে নিজৰ গুৰি, নিজৰ অস্তিত্ব পৃথিৱীৰ আগত সাব্যস্ত কৰি ৰাখিব পাৰিব। ভৱিষ্যতে আমাৰ সন্তানহঁতে যাতে এই গুৰিৰ পৰা বিচ্ছিন্ন হৈ যাব নালাগে তাৰ বাবে আমি প্ৰতিজন অসমীয়া সজাগ হৈ থাকিব লাগিব। অন্যথা তেওঁলোকৰ ওচৰত আমি নিজেই দায়ী হৈ ৰ'ব লাগিব।

"আই তোৰ মৰমী কোলাতে
আই মই জনমে লভিলোঁ
আই তোৰ কিহেৰে শুজিমে ধাৰ
আই অ' জীৱন দি শুজিমে ধাৰ।।"

বস্ত্ৰ নগৰী শুৱালকুছি

মিনতী চৌধুৰী

আমাৰ ছোৱালী আৰু জোৱাঁয়ে কুৱেইটৰ পৰা আহিলেই তাত থকা অসমীয়া মানুহখিনিৰ কথা কয়; শুনি মোৰ খুব ভাল লাগে। বাহিৰত থাকিও যে তেওঁলোকে ভাই-ভনীৰ নিচিনাকৈ মিলাপ্ৰীতিৰে থাকি বিহু পূজা আদিও পালন কৰে। সেই কাৰণে এইবাৰৰ আলোচনী খনত কিবা এটা লিখিবলৈ কোৱাত কিনো লিখো কোনোদিনে লিখা মেলাৰ অভ্যাস নাই, তথাপিতো ভাবিলো মই যিহেতু পাট মুগাৰ শিল্পটোৰ লগত জড়িত গতিকে অসমৰ গৌৰবৰ এই শিল্পদ্যোগটোৰ এক প্ৰধানতম কেন্দ্ৰস্থল শুৱালকুছিৰ বিষয়ে লিখি তাৰ অসমীয়া মানুহখিনিক আমাৰ শিল্পটোৰ বিষয়ে অলপ জনাওৱেইচোন বুলি এই লিখাখিনি যুগুত কৰিলো।

যাদুকৰী হাতেৰে কাপোৰত ৰং বিৰঙৰ ফুল বুটা তৈয়াৰ কৰা শিপিনীৰ ঠাই অসমৰ শুৱালকুছি গুৱাহাটীৰ পৰা ৩২ কিলোমিটাৰ উত্তৰে অৱস্থিত। অকল অসম বুলিয়েই নহয়, সমগ্ৰ ভাৰতবৰ্ষৰ লগতে পৃথিৱীৰ বহু দেশ বিদেশতো পাট মুগা কাপোৰ অতিকৈ সমাদৃত। জাপানত প্ৰতিঘৰ মানুহৰ ঘৰত হেনো একোখন মুগা কাপোৰ থকাটো পৰিয়ালৰ কাৰণে মঙ্গলজনক হিচাবে বিবেচনা কৰা হয়।

কৌটিল্যৰ অৰ্থশাস্ত্ৰত শুৱালকুছিৰ হস্ত তাত শিল্পৰ বিবৰণ পোৱা যায়। উক্ত সময়ত শুৱালকুছিৰ নাম আছিল সুবৰ্ণ কুণ্ড। অৰ্থশাস্ত্ৰৰ বিবৰণী মতে সুবৰ্ণকুণ্ডৰ মানুহৰ প্ৰধান ব্যৱসায় আছিল এৰী আৰু মুগা কাপোৰ। তেওঁলোকে এৰী আৰু মূগা পুহি, পলু খাদ্যৰ কাৰণে এৰা আৰু সোৱাগ গছ যথেষ্ট পৰিমাণে ৰুইছিল। উক্ত সুৱৰ্ণ কুণ্ড অঞ্চল কালক্ৰমত ব্ৰহ্মপুত্ৰৰ বুকুত জাহ যোৱাৰ পিছত গাওঁবাসীয়ে উত্তৰ দিশে গতি কৰি শুৱালকুছি গাৱঁতেই থিতাপি লৈ তাতেই বস্ত্ৰ শিল্পকেই সমল হিপাপে লৈ জীৱন নিৰ্বাহৰ লগতে কুটীৰ শিল্পৰ এটি গৌৰবোজ্বল দিশ দেশবাসীৰ ওচৰত দাঙি ধৰিবলৈ সক্ষম হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱক শুৱালকুছিৰ শিপিনীয়ে তৈয়াৰ কৰা বস্ত্ৰ নিবেদন কৰি পোন্ধৰ শতিকাতে মহাপুৰুষ জনাৰ পৰা ভূয়সী প্ৰসংশা লাভ কৰিছিল। তাৰ পিছত গুৰুজনাই শুৱালকুছিৰ পৰাই আৰ্হি লৈ শুৱালকুছিৰ শিপিনীৰ সহযোগত বৰপেটাৰ তাতীপাৰা নামৰ ঠাইত বৃন্দাবনী বস্ত্ৰ বনাই; যিখন বস্ত্ৰত বৃন্দাবনৰ কৃষ্ণ সহিতে গোপ গোপিনী, গছ গছনি, পশু পক্ষী, যমুনা নদী আদিকে সামৰি হস্ততাতত সুন্দৰ ভাবে প্ৰতিফলিত কৰি বিশ্ববাসীৰ আগত বয়নশিল্পৰ নাম ইতিহাসৰ পাতত জিলিকাই থৈ গৈছে।

১৯৪৬ চনৰ ৯ জানুৱাৰীত জাতিৰ পিতা মহাত্মা গান্ধীয়ে শুৱালকুছিত পদাৰ্পন কৰি শিপিনীৰ কৰ্ম্ম প্ৰতিভা দেখি গাওঁখনৰ স্বাৱলম্বী জনতাৰ হস্ততাতৰ জৰিয়তে এৰী, মুগা, পাট বস্ত্ৰৰ নিৰ্ম্মান কৌশল দেখি ইংলেণ্ডৰ মানচেষ্টাৰৰ সৈতে তুলনা কৰে।

বৃটিছৰ যুগত E.A. Gait, B.C. Allen, H.F. Howord আদি চাহাবে শুৱালকুছিত উৎপাদিত পাট মুগা, এৰী বস্ত্ৰৰ লগতে সৰিয়হ আদিও জাহাজেৰে ৰপ্তানিৰ কথা উল্লেখ কৰিছে। সময়ৰ সোতত শুৱালকুছিবাসীৰ ধান, সৰিয়হ আদিৰ উৎপাদন আৰু কাঠৰ নৌকা নিৰ্ম্মানৰ কাম বন্ধ হল। জনসংখ্যা বৃদ্ধিৰ পৰিপ্ৰেক্ষিতত খেতি মাটিৰ অভাৱ আৰু শৰাইঘাট দলং হোৱাৰ পিচৰে পৰা নাৱেৰে হোৱা বোপাৰ বন্ধ হল। লগে লগে নৌকা নিৰ্ম্মান কাৰ্য্যৰ ইতি পৰিল। উপায়হীন হৈ তাতী সম্প্ৰদায়ৰ কৰ্ম্মটোকেই সকলো জাতি সম্প্ৰাদায়ে জীৱন নিৰ্বাহৰ সমল হিচাবে গ্ৰহণ কৰিলে। সমগ্ৰ গাওঁবাসীৰ কৰ্ম্ম একেটাই হোৱা কাৰণে প্ৰতিযোগীতা মূলক কৌশলৰ কথা চিন্তা কৰি গাওঁবাসীয়ে নিতৌ ন ন চানেকীৰ ফুলাম বস্ত্ৰ নিৰ্ম্মান কৰি গ্ৰাহকক আকৰ্ষন কৰি আহিছে।

১৯৭৫ চন মানলৈ শিপিনী সকলৰ জীৱনৰ মানদণ্ড অনুন্নত আছিল। মহাজন সকলৰ বাহিৰে শিপিনী সকলে অতি কষ্টেৰে দুবেলা দুসাজ অন্ন যোগাৰ কৰিছিল। ইন্দিৰা গান্ধী বেঙ্ক ৰাষ্ট্ৰীয় কৰণ আইন বলবৎ হোৱাৰ পিছৰে পৰা গাওঁখনৰ শ্ৰমিক শিপিনী সকলে চৰকাৰী ঋণ গ্ৰহণৰ জৰিয়তে ঘৰতে তাতশাল পাতি নিজৰ উন্নতিৰ লগতে সমাজলৈও বিপুল অবদান আগবঢ়াই আহিছে। পিছে তাত শাল বৃদ্ধিৰ লগে লগে চাহিদা অনুপাতে শিপিনীৰ অভাৱ পৰিলক্ষিত হ'ল। যাৰ ফলত অসমৰ নানা ঠাইৰ দুৰ-দুৰণীৰ পৰা যুৱক-যুৱতী আনি প্ৰশিক্ষণ দি উপযুক্ত কৰি ললে। লগে লগে শুৱালকুছীৰ ইতিহাসত মহিলা শিপিনী অন্তৰ্ভুক্ত হ'ল।

২০০৩ চনত তেতিয়াৰ ভাৰতৰ ৰাষ্ট্ৰপতি A.P.J আবদুল কালাম মহোদয় অসমলৈ আহি শুৱালকুছিলৈ যাওঁতে পাট কাপোৰত তেওঁৰ

প্ৰতিকৃতি অঙ্কন কৰি তেওঁক উপহাৰ প্ৰদান কৰাত তেওঁ শিপিনী সকলৰ কৌশল পুৰ্ণ কাৰু কাৰ্য্যবোৰ দেখি অতি উচ্চস্তৰৰ প্ৰশংসা সুচক মন্তব্য আগবঢ়ায়।

ধৰ্ম্ম আৰু কৰ্ম্মৰ মিলনভূমি শুৱালকুছিৰ শিক্ষা আৰু সাহিত্য সংস্কৃতিৰ দিশটোৱেও দিনে দিনে প্ৰগতিৰ পথত আগবাঢ়িছে। ১৯৬২ চনত স্থাপিত মহাবিদ্যালয়খনৰ বৰ্ত্তমান কলা আৰু বিজ্ঞান দুয়োটা বিভাগ ছাত্ৰ-ছাত্ৰীৰে ভৰপুৰ। গাওঁখনত থকা উচ্চ, উচ্চতৰ বিদ্যালয় সমূহৰ বাহিৰেও বহু কেইখন ইংৰাজী মাধ্যমৰ স্কুল স্থাপিত হৈছে। এই স্কুলসমূহত শিক্ষাৰ লগতে সংগীত, ব্যায়াম আৰু ক্ৰীড়াৰ দিশটো সামৰি নৱ প্ৰজন্মৰ বহু উপকাৰ সাধন কৰিছে।

গাওঁখনত চাকৰী জীৱি মানুহৰ সংখ্যাও তাকৰ নহয়। বহু চৰকাৰী বেচৰকাৰী কাৰ্য্যলয়ৰ উচ্চপদস্থ বিষয়াৰ পৰা আৰম্ভ কৰি বিভিন্ন স্তৰত বহু শুৱালকুছিবাসীয়ে নান ধৰণৰ চাকৰিত নিয়োজিত হৈ আছে। অসমৰ বাহিৰেও ভাৰতৰ বহু ঠাইত শুৱালকুছিৰ বহু সন্তান কৰ্ম্মৰত। তাৰ ভিতৰত Heart Specialist ডঃ ভবানন্দ দাস ভাৰতৰেই এজন অতি লেখত লবলগীয়া ডাক্তৰ। তেখেত বৰ্ত্তমান দিল্লী এপল হস্পিতালত কৰ্ম্মৰত। আন্তঃৰাষ্ট্ৰীয় কেন্সাৰ গবেষক বৰ্ত্তমান কানাডা নিবাসী ডঃ বিকুল দাস শুৱালকুছিৰেই সন্তান।

শঙ্কৰী ধৰ্ম্মাৱলম্বী বৈষ্ণৱ সকলে শঙ্কৰোৎসৱ আৰু ৰাসযাত্ৰা আদি ধুম ধামেৰে উদ্‌যাপন কৰে। শঙ্কৰদেৱৰ জন্মোৎসৱ হিচাবে অনুষ্ঠিত নাওখেল অতি দৰ্শনীয়। এই অনুষ্ঠানত জাতি, ধৰ্ম, বৰ্ণ নিৰ্ব্বিশেষে সকলো গাওঁবাসীয়ে যোগদান কৰে। তাৰ উপৰিও মনসা পূজা গাওঁখনৰ উল্লেখনীয় অনুস্থান। দুৰ্গাপূজা, দামোদৰদেৱৰ জন্মোৎসৱ, কৃষ্ণজন্মাষ্টমী, হোলি উৎসৱ আদিৰ জৰিয়তে গাওঁবাসীয়ে শ্ৰমৰ দুখ পাহৰি ধৰ্মৰ পৰম্পৰা ৰক্ষা কৰি মনত শান্তি লাভ কৰে।

পূৰ্ব্বৰ শুৱালকুছিৰ লগত আজিৰ শুৱালকুছিৰ আকাশ-পাতাল পাৰ্থক্য। জনসংখ্যা বৃদ্ধিৰ লগে লগে শুৱালকুছিৰ পৰিসীমা দিনে দিনে বৃহত্তৰ হৈ গৈ আছে। ওচৰে পাজৰে থকা গাওঁ সমূহো এতিয়া বস্ত্ৰ শিল্পৰ লগত জড়িত হৈ শুৱালকুছিৰ অন্তৰ্ভুক্ত হৈছে। সকলো গাওঁ আদি মিলি হোৱা বৃহত্তৰ শুৱালকুছিৰ বৰ্ত্তমান শিপিনীৰ সংখ্যা লাখৰ ওপৰ হ'বগৈ। তথাপিতো আজিকালি শিপিনীৰ সমস্যা সবত্ৰ। তাৰ মাজতে কিছুমান যুৱকে নিজৰ সাতাম পুৰুষীয়া সুন্দৰ ব্যৱসায় এৰি বাংগালোৰ হায়দৰাবাদ আদিলৈ গৈ সহজতে ঘটিব পৰা ধন বিচাৰি গৈ একোকে নাপাই কিছুমান সৰু উদ্যোগত সুৰক্ষা কৰ্ম্মচাৰী হিচাবে অতি কষ্টেৰে জীৱন ধাৰণ কৰি আছে।

কিছুমান অসাধু ব্যৱসায়ীয়ে মুগা পাট আদি সুতাৰ লগত পলিয়েষ্টাৰ আদি সুতা মিহলাই শুদ্ধ পাট মুগা বুলি বিক্ৰী কৰি আহিছে। কিছুমানে আকৌ বেনাৰসত অসমৰ নিজস্ব চানেকী আৰ্হি পঠিয়াই তাত Semi Handloom ত বনাই ইয়াত নিজৰ শালত বনোৱা বুলি কৈ একে দামতে বিক্ৰী কৰি আছে। কাপোৰৰ উৰ্দ্ধমুখী দামৰ বিপৰীতে সেই কাপোৰ বোৰৰ দাম অতি কম হ'ব লাগে। সেয়েহে মই সেইবোৰ ব্যৱসায়ীক কাতৰে অনুৰোধ যাতে মিছা কথাৰে গ্ৰহাকক অভুৱা ভৰাৰ লগতে অসমৰ ঐতিহ্যময়ী বয়ন শিল্পৰ ওপৰত কালিমা নাসানে। অলপতে বেনাৰসী কাপোৰ আদি জ্বলাই দি যি জ্বলামুখী পৰিস্থিতিৰ উদ্ভৱ হৈছিল সেয়া যেন আৰু কেতিয়াও নহয়। গতিকে উক্ত ব্যৱসায়ী সকলে কম খৰচত বনোৱা কাপোৰবোৰ কমদামত যদি যোগান ধৰে তেন্তে জনসাধাৰণ অতি উপকৃত হ'ব।

কেঁচা মাল বিশেষকৈ পাটসূতা, মূগাসূতা, এৰীসূতা লগতে ডিজাইনৰ কাৰণে গুণাৰ লগতে আচুসূতা আদিও একশ্ৰেণীৰ বণিক সম্প্ৰদায়ৰ হাতত। তেওঁলোকে নিজৰ খেয়াল খুছি মতে দাম নিৰ্দ্ধাৰণ কৰে। গতিকে আমাৰ যুৱক যুৱতী সকলোকে মোৰ ফালৰ পৰা বিনম্ৰ অনুৰোধ জনাও যাতে তেওঁলোকে এক উদ্যোগী মনোভাবেৰে নিজে হাতে কামে কৰি আমাৰ গৌৰবৰ এই কুটীৰ শিল্পক সুৰক্ষিত ৰখাৰ লগতে আৰু উচ্চ স্তৰলৈ আগবঢ়াই নিয়ে।

(গুৱাহাটী নিবাসী লেখিকা শ্ৰীমতী মিনতি চৌধুৰী যোৱা প্ৰায় তিনি দশক ধৰি অসমৰ পাট মুখা বস্ত্ৰ উদ্যোগৰ লগত জড়িত থাকি বহুজনৰ পৰিচিত। শুৱালকুছিৰ ইতিহাসৰ সমল যোগোৱা শ্ৰী প্ৰদীপ বৈশ্য আৰু Boy's Night High School ৰ অধ্যক্ষ শ্ৰী চিন্তামণি দাস ডাঙৰীয়াক লেখিকাই ধন্যবাদ জনাইছে।)

কঁহুৱা বনৰ এচাটি বা

কাকলী নাথ

অনুৰাধাৰ মনটো আজি আকৌ থৌকি-বাথৌ। জীৱনৰ যিকোনো মুহূৰ্ত্তই যেন এটা বিশেষ ৰূপ লয়, এনে ভাৱ হয় সকলো সময়তে তাইৰ। আজি ২৪ বছৰৰ আগেয়েও তাইৰ এনে ভাৱ হৈছিল, ভাবি পোৱা নাছিল জীৱন নৌকাখন কোন দিশে ঢাপলি মেলিব। কিন্তু দেউতাকৰ আশ্বাস, মাকৰ মৰমে তাইক উজনিৰ দিশে উটুৱাই লৈ গ'ল। হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পাছতেই তাই সুদূৰ গুৱাহাটী মহানগৰীৰ ফালে ঢাপলি মেলিলে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ বাবে। প্ৰতিটো মুহূৰ্ত্ততে তাইক সহায় কৰিলে তাইৰ দেউতাকে। দেউতাকৰ উপদেশ, আশ্বাসে তাইৰ মনোবল আৰু বঢ়ালে, আগুৱাই গ'ল তাই জীৱন যুঁজত এগৰাকী সংগ্ৰামী হিচাপে। কিন্তু জীৱনত সকলোবোৰ নিজৰ মতে নহয়। প্ৰত্যেক পৰিস্থিতিকে আঁকোৱালি লোৱাৰ প্ৰচেষ্টা কৰিব লাগে, এনে এটা ভাৱেৰেই তাইও আঁকোৱালি ললে মাক দেউতাকৰ সেই ইচ্ছাক। দেউতাকৰ সুবন্ধুৰ পুত্ৰৰ সৈতে মাল্য আদান প্ৰদান কৰিলে হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ ঠিক পাছতেই। মেধাৱী ছাত্ৰী হিচাপে বহুতো আশা আছিল তাইৰ মনত, এগৰাকী সু চিকিৎসক হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ বিচাৰিছিল। তাইৰ কলেজৰ, হোষ্টেলৰ বন্ধুবিলাকে নিজকে প্ৰতিষ্ঠিত কৰিবলৈ নিজ নিজ দিশে ঢাপলি মেলিলে। কিন্তু তাইৰ জীৱনটো এটা সাঁথৰ হৈয়ে ৰৈ গ'ল, আজিও তাই বুজি নাপালে তাইৰ অতি মৰমৰ মাক দেউতাকে কিহৰ কাৰণে তাইৰ স্বপ্ন ভঙ্গ কৰি এনে এটা কঠোৰ সিদ্ধান্ত লব লগা হ'ল।

টক্ টক্ টক্-দুৱাৰত মৃদু টোকৰ। বহাৰ পৰা উঠি দুৱাৰখন খুলি দিলে, এচাটি মৃদু বতাহৰ লগত ৰঙ্কি মিকু সোমাই আহিল। ৰঙ্কি আৰু মিকু তাইৰ দুটি সন্তান। তাইৰ স্বামী ইণ্ডিয়ান ইঞ্জিনিয়াৰিং চাৰ্ভিসৰ এজন উচ্চ পদস্থ বিষয়া। বিয়াৰ দ্বিতীয় বছৰতেই তাইৰ জীৱনলৈ ৰঙ্কিৰ আগমন হয়। ৰঙ্কিৰ প্ৰায় ৩ বছৰ পাছতেই মিকুৰ আগমন। দুয়োটা সন্তান লৈ বিগত বছৰকেইটা কিদৰে পাৰ হৈ গ'ল তাই ততকে ধৰিব নোৱাৰিলে। বন কৰা মানুহেৰে ভৰি থাকিলেও, মাক হিচাপে সিহঁতৰ লগত ব্যস্ত থাকিব লগা হ'ল, স্বামীক দিবলৈও তাইৰ যেন সময়ৰ নাটনি হ'ল। কিন্তু তথাপিও তাইৰ মনত এটা অপূৰণীয় আশা থাকি গ'ল। তাইৰ বন্ধু ৰান্ধৱী বিলাক ডাক্টৰ, ইঞ্জিনিয়াৰ, প্ৰফেচাৰ, প্ৰশাসনিক বিষয়া হ'ল। তাই ঠিৰাং কৰিলে -নাই তাই পঢ়িব, আজিয়েই কথা পাতিব শান্তনুৰ লগত। কথা মতেই কাম, শান্তনুৱেও তাইক বাধা নিদিলে। কিন্তু তাই নিজেই ভাবি নাপালে কিহৰ কাৰণে তাই ইমান বছৰ নিশ্চুপ হৈ থাকিল, তাই ইচ্ছা কৰা হ'লে ইমান দিনে পঢ়া শেষ কৰিব পাৰিলে হয়। সকলো কথা বাদ দি তাই অঙ্কত অনাৰ্চ লৈ ডিগ্ৰী ল'লে, অৰ্থনীতিত স্নাতকোত্তৰ ডিগ্ৰী ধাৰণ কৰিলে। তাইৰ জীৱন নৌকাখন যেন আকৌ চলিব ধৰিলে। কিন্তু তেনেতে আকৌ ৰব লগা হ'ল ৰঙ্কি, মিকুৰ দশমমানৰ পৰীক্ষাৰ বাবে। আমাৰ নিত্য নৈমিত্তিক সামাজিক জীৱনত ছোৱালীৰ জীৱনৰ মূল্যবোধ যিদৰে মাক দেউতাকে ঠিৰাং কৰে, ঠিক তেনেদৰেই সন্তানৰ ভবিষ্যতৰ বাবে পিতৃমাতৃয়ে সৰ্বস্ব ত্যাগ কৰিব লাগে - যেনে চাকৰি, ফুৰা চকা ইত্যাদি। বৰ্ত্তমানৰ প্ৰতিযোগিতামূলক যান্ত্ৰিক জীৱনত সকলোৱেই এই ত্যাগ কৰিব লগা হয়। অনুৰাধায়ো এতিয়া পুণৰবাৰ ৰঙ্কি আৰু মিকুৰ বাবে এনে এটা সিদ্ধান্তক বিনা সংকোচে আঁকোৱালি ল'লে। নিঃসঙ্গ মুহূৰ্ত্তবোৰ মাজে মাজে তাইৰ বাবে অসহনীয় হৈ উঠে। তাই ভাবি উত্তৰ নাপায় মানুহে কিভাৱে অৰ্থহীন ভাৱে জীয়াই থাকে, অৰ্থহীনতাত তাই ভূগিব ধৰিলে। জীৱনত মানুহক নিজৰ পৰিচয় লাগে। পৰিচয় মাথো ৰঙ্গিক মিকুৰ মাক বা শান্তনু শইকীয়াৰ পত্নী হিচাপে নহয় অথবা চাকৰি কৰিও মানুহে নিজৰ পৰিচয় গঢ়িব নোৱাৰে। তাই ঠিৰাং কৰিলে তাই হাতত কলম তুলি লব, কটন কলেজৰ কলেজীয়া জীৱনত যিদৰে আলোচনীত লিখিছিল সেইদৰেই আকৌ শিল্পী, কৱি, লিখক অনুৰাধাক তাই জাগ্ৰত কৰিব। খিৰিকীখন খুলি দিলে, শৰতৰ এজাক বতাহে তাইৰ দেহমন চুই গ'ল। আহ্, ইমান ধুনীয়া বতাহ জাক, এনেকুৱাই যদি মোৰ জীৱনটো হ'লহেঁতেন। ৰঙ্কি, মিকু, শান্তনুৰ উপৰিও যদি মোৰ জীৱন অথবা কৰ্মৰাজিয়ে সমাজৰ সকলোকে চুই গ'লহেঁতেন। যদি অনুৰাধাই ঠিৰাং কৰিলে তাই কলম তুলি লব বিনা সংকোচে, তাই ছবি আঁকিব, তাইৰ সুপ্ত প্ৰতিভাক আকৌ জগাই তুলিব। এটা নতুন দিশৰ সন্ধানত কলমৰ অস্ত্ৰ প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰিলে সিদিনাৰ পৰাই, কিন্তু কোনেও নাজানিলে যে সেই লিখনি, কলমৰ, ছবিৰ মাজত এগৰাকী মাক বা পত্নী নাই, আছে এগৰাকী প্ৰতিভাশালী নাৰী, কিন্তু অনুৰাধা নহয়.....।

KEUKENHOF

অঞ্জলী ৰাজখোৱা

KEUKENHOF হয় হলেণ্ডৰ ৰাজধানী আমষ্ট্ৰাডামৰ সেই ডোখৰ ঠাই য'ত 'চিলচিলা' চিনেমা খনত এটা ৰোমান্টিক গানৰ দৃশ্য আছিল। ৰেখা আৰু অমিতাভ বচ্চনে টিউলিপৰ বাগিছাৰ মাজে মাজে "দেখা এক খোৱাব ত এক চিলচিলা" নামৰ গানটো গোৱাৰ দৃশ্য দেখিবলৈ পোৱা গৈছিল। ১৯৯০ চনৰ মাৰ্চ মাহত এওঁ লণ্ডনলৈ প্ৰায় এমাহ মানৰ বাবে গৈছিল। সেই সুযোগতে এওঁ হলেণ্ডত এবাৰ ফুৰাৰ সৌভাগ্য ঘটিছিল। সেই সময়ত হলেণ্ডৰ টিউলিপবোৰে কলি পেলাইছিল। সেই ফটোবোৰ চোৱাৰ পাছত মনত এটা আশা পুহি ৰাখিছিলো কেতিয়াবা যদি সুবিধা কৰিব পাৰো এই টিউলিপৰ বাগিছাখন জীৱনত এবাৰ চাম।

মোৰ মনত পুহি ৰখা আশা এটা পূৰণ কৰাৰ সৌভাগ্য ঘটিছিল যোৱা বছৰৰ মে মাহত। টিউলিপকে প্ৰধান উদ্দেশ্য কৰি যোৱা বছৰ মে মাহত আমি দুয়ো ইউৰোপৰ প্ৰায় ৯ খন দেশলৈ বুলি ফুৰিবলৈ ওলালো। দেশ কেইখন হল ইংলেণ্ড, নেদাৰলেণ্ড, অষ্ট্ৰিয়া, ফ্ৰান্স, জাৰ্মানী, ইটালী, মনাক', ভাটিকান চিটি, চুইজাৰলেণ্ড।

৬ মে তাৰিখে ৰাতিপুৱা ৮.২৫ মিনিটত কুৱেইট ইন্টাৰনেচনেল এয়াৰ পৰ্টৰ ২২ নম্বৰ গেটৰ পৰা বৃটিছ এয়াৰ ওৱেজৰ যোগেদি আমি আমাৰ যাত্ৰা আৰম্ভ কৰিলো। আমাৰ বিমান খন প্ৰায় ৩৮,০০০ ফুট উচ্চতাত উৰিছিল। গতিবেগ আছিল ঘন্টাত প্ৰায় ৮৬০ কিঃ মিঃ তকৈও বেছি। দুমহলীয়া বিমানখনৰ এটা শাৰীৰ এটা মূৰৰ পৰা আন এটা মূৰলৈ প্ৰায় ১০ জন মানুহ বহিব পাৰি। বিনামখন কুৱেইটৰ পৰা বগদাদ হৈ তুৰ্কীৰ বা Turkey ওপৰেদি যাওতে সুন্দৰকৈ সুউচ্চ পৰ্বতৰ বৰফবোৰ দেখিবলৈ পোৱা গৈছিল, বহুত দূৰলৈকে পৰ্বতমালাত বৰফ দৃষ্টি গোচৰ হৈছিল। লাহে লাহে Black sea ওপৰেদি উৰিবলৈ আৰম্ভ কৰিলে, ইয়াৰ দৈৰ্ঘ্য প্ৰায় ১২০০ কিলোমিটাৰ। পাছত Black sea পাৰ হৈ ৰোমানীয়াৰ ওপৰেদি জাৰ্মানী হৈ নৰ্থ চি পাৰহৈ লণ্ডনৰ সময় দিনৰ ১২.৩০ বজাত আহি Heathrew এয়াৰ পৰ্ট পালোগৈ। তাৰ পৰা আমি H51 বাছেৰে আগৰ পৰা ব্যৱস্থা কৰি থোৱা হোটেল Novtel অত উপস্থিত হ'লো এয়াৰ পৰ্টৰ নিচেই কাষতে। ৰিচেপচনতে আমাক এখন ইণ্ডিয়ান হোটেলৰ কথা কোৱাত আমি তালৈকে খোজেৰে গৈ খোৱা বোৱা কৰি আহি সুমনৰ ফোনৰ বাবে অপেক্ষা কৰিলো। কাৰণ সেই সময়ত সুমন লিংকনৰ পৰা চিকাগোলৈ আহিছিল বিশ্ববিখ্যাত কমেডিয়ান ৰাচেল পিটাৰৰ Show চাবলৈ তাৰ লগ বন্ধুৰ লগত। গতিকে সিয়ে ফ'ন কৰিম বুলি আমাক কথা দিছিল। তাৰ ফ'ন পোৱাৰ পাছত আমি সন্ধিয়া অলপ ওলাই গ'লো। কাৰণ পিছদিনা খনৰ পৰাহে আমাৰ Thomas cook ৰ যাত্ৰা আৰম্ভ হব। ৭ তাৰিখে আমি Thomas cook এ ঠিক কৰি থোৱা হোটেললৈ গ'লো আৰু সন্ধিয়া আমাক লণ্ডন খন ফুৰালে, ৰাতিৰ আহাৰ ইণ্ডিয়ান হোটেলত কৰাই আমাক হোটেললৈ বুলি অনা হয়। সিদিনা খন বতৰ খুউব বেয়া আছিল বতাহ বৰষুনে ছাটি উৰাই নিছিল। ৮ তাৰিখে আমাক Wimblendon, Madam Tussauds, Central Court, London eye আৰু কিছুমান সৰুসুৰা বস্তু দেখুৱাইছিল। ৯ তাৰিখে বাকিংহাম পেলেচ, লণ্ডন গেলেৰি, পলিয়ামেন্ট হাউচ ইত্যাদিবোৰ দেখুৱাই লণ্ডন সামৰি সন্ধিয়া জাহাজেৰে আমাৰ যাত্ৰা আৰম্ভ কৰিলো হলেণ্ডলৈ বুলি।

আমাৰ জাহাজ খনৰ নাম আছিল Stena Line. ১২০০ যাত্ৰী, ২৩০ খন গাড়ীৰ উপৰিও অন্যান্য বহুত সামগ্ৰী কঢ়িয়াই নিব পৰা বিশাল আকাৰৰ এখন জাহাজ। সকলোবোৰ সা সুবিধাৰে ভৰা যেনে চিনেমা হল, বাৰ, লৰা ছোৱালীয়ে খেলিব পৰা, বজাৰ কৰিব পৰা ইত্যাদি বোৰ। ৰুমৰ ভিতৰত থাকিলে 5 Star Hotel অত আছো নে জাহাজত আছো একো ধৰিব নোৱাৰি। ডাইনিং হলত একেলগে ৪০০-৫০০ মানুহে বহি খাব পৰা সুবিধা। জীৱনৰ এইটো সুন্দৰ আৰু পাহৰিব নোৱাৰা অভিজ্ঞতা। ইয়াৰ আগতে মই কেতিয়াও তেনেকুৱা জাহাজত উঠা নাছিলো। গোৱাত এবাৰ কেইঘন্টা মানৰ বাবে আৰু এবাৰ ব্ৰহ্মপুত্ৰৰ ফেৰিত উঠি ডিব্ৰুগড়ৰ পৰা ধেমাজিলৈ গৈছিলো আমাৰ বিয়াৰ পাছতে। সেই সময়ত মোৰ ডাঙৰ বৰজনা অলপ দিনৰ বাৰে ধেমাজিত আছিল।

১০ তাৰিখে ৰাতিপুৱা আমি গৈ হলেণ্ড পালোগৈ। ৰাতিপুৱাৰ আহাৰ জাহাজতে কৰি আমি বাহিৰে বাহিৰে টিউলিপ বাগিছা চাবলৈ বুলি যাত্ৰা আৰম্ভ কৰিলো। ইউৰোপত টিউলিপ আৰম্ভ হৈছিল ১৫৫৪ চনত, যেতিয়া Ferdinand I ৰ Ambassador Ogier de Busbeeq এ টিউলিপৰ বাল্ব ভিয়েনালৈ পঠাইছিল। ভিয়েনাৰ পৰা লাহে লাহে বিভিন্ন ঠাইলৈ যেনে জাৰ্মানী, বেলজিয়াম, হলেণ্ড আদিলৈ টিউলিপৰ বাল্ব বিস্তাৰিত হৈছিল। বৰ্ত্তমান এই বিধ ফুলৰ খেতি কৰি বিশ্বত বিখ্যাত হৈছে নেদাৰলেণ্ড। টিউলিপ হৈছে এজোপা ৰাৰমহীয়া আলু বা মূল থকা দেখিবলৈ ধূনীয়া গছ। Keukenhof হৈছে পৃথিৱী বিখ্যাত এখন বসন্ত কালত ফুলা ফুলৰ বাগিছা। ৩২ হেক্টৰ মাটিত ৭ মিলিয়ন টিউলিপ আৰু পৃথিৱীৰ বিভিন্ন দেশৰ পৰা সংগ্ৰহ কৰা ৭৫ বিধ বনৰীয়া টিউলিপেৰে ভৰা এখন মনোমোহা ফুলৰ বাগিছা Keukenhof। এই বাগিছা খন মাৰ্চ মাহৰ ২০ তাৰিখৰ পৰা মে মাহৰ ১৮ তাৰিখলৈ খোলা থাকে। কিন্তু ফুল ফুলে এপ্ৰিল আৰু মে মাহৰ এটা সপ্তাহত মাত্ৰ। সাধাৰণতে ই গুটি আৰু বাল্ব দুয়োটাৰে পৰা হয়। গুটিৰ পৰা কৰিলে এজোপা গছ ডাঙৰ হোৱাৰ পৰা ফুলালৈকে সময় লাগে প্ৰায় ৫-৮ বছৰ পৰ্য্যন্ত। সেই কাৰণে যেতিয়াৰ পৰা ব্যৱসায়িক ভিত্তিত কৰিবলৈ ধৰিলে তেতিয়াৰ পৰা বাল্বৰ পৰা কৰিবলৈ আৰম্ভ কৰিলে। ফুল ফুলি শেষ হোৱাৰ পাছত গছবোৰ কাটি বাল্ববোৰ তাতে থাকিবলৈ দিয়া হয়। আমাৰ গ্লেডিঅলিৰ দৰে।

গছ শুকালে বাল্ববোৰ পুনৰ ৰুবলৈ বা বিক্ৰি কৰিবলৈ ৰখা হয়। ৰং এটা পাহি, বেছি পাহি অনুসৰি ইয়াৰ নাম বোৰ বেলেগ বেলেগ। ৰামধেনুৰ সাতোতা ৰঙৰ বাহিৰেও এই পৃথিৱীখনত থকা সকলোবোৰ ৰঙৰ ফুল ইয়াত আছে। নিজ চকুৰে নেদেখিলে বিশ্বাস কৰিবলৈ টান। পৃথিৱীৰ বিভিন্ন দেশত কম পৰিমানে বিশেষ কৈ ইউৰোপৰ বিভিন্ন ঠাইত এই ফুল থাকিলেও ১৫৯৩ চনৰে পৰা আমষ্ট্ৰাদ্ৰামত ইয়াৰ খেতি কৰিবলৈ ধৰে। কাৰণ টিউলিপৰ কাৰণে উপযোগী মাটি হলেণ্ডত পোৱা যায়। এই টিউলিপে হলেণ্ডক অৰ্থনীতিৰ ক্ষেত্ৰখনত এটা নতুন ৰূপ দিলে। পৃথিৱীখনত এনে কিছুমান ঠাই বা চহৰ আছে সেইবোৰৰ কথা আমি শব্দৰে কৈ শেষ কৰিব নোৱাৰো, যাৰ সৌন্দৰ্য্যই মানুহৰ মন মুগ্ধ কৰি তোলে। Keukenhof তেনেকুৱা ১০ খন ঠাইৰ ভিতৰত এখন। পাৰিলে মানুহে জীৱনত এবাৰ যাবলৈ চেষ্টা কৰিব লাগে ফুল ফুলাৰ সময়ত। পৃথিৱীৰ সকলো দুখ ভাগৰ পাহৰি তাতে থাকি আহিবৰ মন যাব।

হলেণ্ডৰ আন এটা বস্তু চাব লগীয়া, সেইটো হৈছে আমষ্টাদ্ৰাম চহৰখন, এই চহৰখন সাগৰৰ পৃষ্ঠতকৈ ২ মিটাৰ তলত অৱস্থিত। সেই কাৰণে চহৰখনৰ ভিতৰে বাহিৰে সৰু সৰু কেনেলেৰে আৱৰি ৰাখিছে যাতে সাগৰৰ পানী আহি চহৰখন জলমগ্ন নকৰে। এই চহৰখনৰ এটা সম্পূৰ্ণ নমুনা ৰটাৰদাম নামৰ চহৰখনৰ মাদুৰাদামত Miniature পাৰ্ক হিচাবে সাজি ৰখা হৈছে। হলেণ্ডত আৰু এটা মন কৰিবলীয়া বস্তু হ'ল চাইকেল, হেলমেট পিন্ধি সকলোৱে অহা যোৱা কৰে। পৃথিৱীৰ ভিতৰত হলেণ্ডত আটাইতকৈ বেছি চাইকেল চলে, তাৰ কাৰণে ৰাষ্টা বেলেগ নিময় বেলোগ।

জাৰ্মানীত আমি ৰোমান কেথলিক চাৰ্চ চালো, Koln নামৰ চহৰত। Koln চহৰখন বিখ্যাত পাৰফিউমৰ বাবে, Simply colonge বাEan de colonge ইত্যাদিবোৰ তাৰ পাৰফিউম। ৰাইন নদীৰ ওপৰেদি কিছুদূৰ এপাক মাৰি ষ্টেফিগ্ৰাফৰ চহৰ Haidelberg ত এপাক মাৰিলো।

পিছ দিনাখন আমি অষ্ট্ৰিয়ালৈ বুলি যাত্ৰা কৰিলো, সৰু দেশ। কিন্তু বিখ্যাত Watten চহৰত থকা Swarovski crystal ৰ কাৰণে। Daniel Swarovski নামৰ লোক জনৰ এইটো একছত্ৰী পৃথিৱীৰ বিখ্যাত ব্যৱসায়। Crystal ৰ চকুচাত মাৰি ধৰা জিলিকনিয়ে এক মুহূৰ্ত্তৰ কাৰণে ভাবিবলৈ বাধ্য কৰায় এইয়া কি? যাদু নে স্বৰ্গ।

ইটালীৰ ভেনিচ, ৰোম, ফ্ল'ৰেন্স আদি চহৰত আমি St. Mark's Square, colosseum আৰু ৰোমান সভ্যতাৰ ধ্বংসাৱশেষ দেখিবলৈ পালো, Gondola Ride ত এপাক ফুৰাৰ সুবিধা পালো। তাতEnter টো Anttata আৰু Exit টো Usaita বুলি লিখা থাকে। শব্দকেইটা খুউব ভাল লাগিল বাবে মনত ৰৈ গ'ল। ইটালীৰ পৰা আমি ভাটিকান চিটিলৈ গ'লো। এক বৰ্গ কিলোমিটাৰতকৈও কম মাটিৰে আগুৰা প্ৰায় ৮০০ শ মান জনসংখ্যাৰ এখন সৰু দেশ। যত খৃষ্ট ধৰ্ম্মৰ ধৰ্ম্মগুৰু পোপৰ বাসস্থান। তাত আমি Saint peter's, sistine chapel চালো। পৃথিৱীৰ সকলো দেশৰ খৃষ্টধৰ্ম্মৰ ধৰ্ম্মগুৰু সকল আহি তাতেই পোপৰ নিৰ্বাচনি কৰে। এই চিটিখনৰ প্ৰশাসনিক দিশটোৰ বাহিৰে সকলোবোৰতে পোপেই সৰ্ব্বেসবা। বিশেষকৈ সকলো ধৰ্ম্মীয় কাম কাজৰ বাবে সকলো সুবিধা কৰি ইয়াক বেলেগে ৰখা হৈছে। তাৰ পৰা আমি Pisa চহৰত থকা Leaning tower চালো। ৬০ মিটাৰ উচ্চতাৰ এই স্তম্ভটো হেনো ১০ ডিগ্ৰী বেকাকৈ আছে। ইটালিতে থকা আৰু এখন চহৰ হ'ল Genoa। Mediterranean sea ৰ এখন ডাঙৰ বন্দৰীয় চহৰ। খুউব ভাল লাগিল Christopher Columbus ৰ ঘৰটো দেখি। ইটালীৰ সকলোতে সৰু গাড়ী ব্যৱহাৰ কৰা দেখিলো। ইমান সৰু সৰু মৰম লগা গাড়ীবোৰ মই আগতে কেতিয়াও দেখা নাই। Genoa ৰ পৰা আমি মনাক' চাবলৈ গলো। এইখন ও এখন সৰু দেশ। কিন্তু বিখ্যাত, Montecarlo কেচিনৰ বাবে। আমেৰিকাৰ লাচভেগাচৰ লগত ইয়াক তুলনা কৰিব পাৰি। তাতেই Formula 1 grand prix Racing Circuit আছে। Montecarlo casino ৰ Ferrari গাড়ীৰ সংখ্যা দেখি ঠাই খনৰ কথা অনুমান কৰিব পাৰি।

ছুইজাৰলেণ্ড আছিল মোৰ দ্বিতীয় পছন্দ। গতিকে ছুইজাৰলেণ্ড পোৱাৰ লগে লগে মোৰ দুটা সপোন বাস্তৱত পৰিণত হোৱা যেন লাগিল। প্ৰথম দিনাখন আমি Geneva চহৰত International Red Cross Society ৰ Building, UNO office, Lake geneva, Floral Clock, Rolex Watch ৰ Show Room ইত্যাদিবোৰ চালো। Zurich ৰ Bern চহৰত Albert Einstein ৰ ঘৰটো আৰু আমি সদায়ে শুনি থকা Swiss Bank দেখিলো। ছুইজাৰলেণ্ডৰ Interlaken ত ভাৰতীয়া চলচিত্ৰৰ নিৰ্মাতা Yash Chopra দেৱক Ambassador of Interlaken বুলি সন্মানিত কৰা এখন ফলক দেখিলো। তেখেতৰ বহুত কেইখন চিনেমাৰ চুটিং এই Interlaken ত কৰিছিল।

ইউৰোপৰ আটাইতকৈ ওখ পৰ্বতৰ Jungfrau নামৰ ঠাই ডোখৰলৈ যাবলৈ Cogwheel train ষ্টেচনলৈ গ'লো। এই ট্ৰেইন খনৰ বিশেষত্ব এয়ে যে থিয় পৰ্বত মালালৈ যাবৰ বাবে এই ট্ৰেইনৰ চিৰি আৰু চকাৰ বিশেষ ব্যৱস্থা কৰা হৈছে যাতে ট্ৰেইনখন পিছলৈ নাহে। ১৬ বছৰ ১০০ জন ইটালীয়ান বনুৱাক লৈ ৩৪৫৪ মিটাৰৰ ট্ৰেইন লাইনটো বনোৱা হৈছিল, ১৮৯৬ চনত জুলাই মাহৰ ২৭ তাৰিখে আৰম্ভ কৰি ১৯১২ চনৰ ১ আগষ্টত শেষ কৰিছিল। লাহে লাহে বেলেগ বেলেগ সময়ত ইয়াৰ পথৰ সংখ্যা বাঢ়িব ধৰিলে পৰ্বতৰ ওপৰত।

France ৰ Cannes চহৰখন চালো, তেতিয়া তাত International Film Festival, Festival De Cannes 2013 চলি আছিল। ভাৰতবৰ্ষৰ পৰাও কোনো কোনো Actor যোৱাৰ কথা শুনিছিলো। ফ্ৰান্সৰ আন এখন চহৰ Nice এপাক মাৰিলো। তাত থকা ফ্ৰান্সৰ বিখ্যাত Perfume Fragonard ৰ এটা কাৰখানাত এপাক মৰাৰ সুবিধা পালো, ১৯২৬ চনৰ পৰাই ইয়াৰ Fragonard নামৰ কোম্পানীটোৱে পৰম্পৰাগত ভাবে ঘৰুৱা পদ্ধতিৰে পাৰফিউম বনাই আহিছে।

এই খিনিতে এটা কথা উল্লেখ কৰিব খোজিছো Germany পাৰ হৈ Austria ৰ পৰাই পাহাৰৰ মাজেদি তৈয়াৰ কৰা বহুত সুৰঙ্গ দেখিবলৈ পাইছিলো। প্ৰায় বোৰেই বহুত দীঘল দীঘল। একো একোটা সুৰঙ্গ ১ কিলো মিটাৰৰ পৰা ৫ কিঃমিঃ পৰ্য্যন্ত। চুইজাৰলেণ্ডত Cogwheel Train ত যাওতেও বহুত সুৰঙ্গ পাইছিলোঁ একো একোটা সুৰঙ্গ ৯ কিঃ মিঃ পৰ্য্যন্ত। তাৰ মাজত Phone কৰিব পৰা সুবিধাও আছে। পাহাৰ পৰ্বতৰ সৌন্দৰ্য্য অটুত ৰাখি পাহাৰৰ ভিতৰেদি বনোৱা সুৰঙ্গবোৰ সচাকৈয়ে চাবলগীয়া।

পেৰিচত আমি Eiffel tower, Disney land আৰু লিড' Show চালো। Eiffel tower অত ৰাতিৰ ভাগত এটা দৃশ্য চাবলৈ আমি এদিন গৈছিলো, Eiffel tower light show বুলি কোৱা হয়। আমাৰ দ্বীপান্বিতাৰ দৰে লাইট বিলাক জ্বলি উঠে। খুউব সুন্দৰ দৃশ।

এই আগবঢ়া দেশবোৰৰ নিয়ম নিতীৰ কথা প্ৰায় সকলোৱে জানেই। ইয়াৰ নিয়মানুবৰ্ত্তিতাৰ দিশ বোৰ দেখি মোৰ মন চুই গৈছিল। তাৰে ভাগ মোৰ জেতুকাৰ পদুৱে সকলক দিবৰ মন গ'ল। আমি বাছত হলেণ্ডৰ পৰা যাত্ৰা আৰম্ভ কৰিছিলো। বাছৰ Company আৰু ড্ৰাইভাৰ জন আছিল Poland ৰ। বাছ চলোৱাৰ এটা সময় সীমা থাকে। প্ৰতি ২ ঘন্টাৰ মূৰত ১৫ মিনিট ড্ৰাইভাৰক ৰেষ্ট দিব লাগে। সপ্তাহটোৰও এটা সময় সীমা আছে। Nice city চাবলৈ যাওতে সীমিত ঘন্টাৰ ওপৰত হোৱাৰ বাবে আমাৰ বাচখন আগতে খালি কৈ পঠায় বেলেগ এখন বাছেৰে আমাক হোটেললৈ নিছিল। ঠিক তেনেদৰে সপ্তাহৰ সময় সীমা পাৰ হৈ যোৱাত Poland ৰ পৰা নতুন এজন ড্ৰাইভাৰ আহি নোপোৱালৈকে আমি অপেক্ষা কৰিব লাগিল। তেওঁ আহি পোৱাত আগৰ জন আমাৰ বাছৰ যাত্ৰী হিচাবে আছিল, এনেকৈ সৰু সৰু বহুতো অভিজ্ঞতা মানস পটত লৈ আমি আমাৰ যাত্ৰা পেৰিচত সামৰি কুৱেইটলৈ বুলি আৰম্ভ কৰিলো।

পিৰামিড দেখিলোঁ

অনুপম ৰাজখোৱা

কুৰি শতিকাত বহুতো নতুন নতুন বস্তুৰ আৱিস্কাৰ হৈছে যদিও আমি সেই সকতে পঢ়ি অহা পৃথিৱীৰ ৭ টা আচৰিত বস্তুৰ এটা পিৰামিড, সেই কথাটোৱে আমাৰ সকলোৰে মনত খুউব গভীৰ ভাৱে সাঁচ বহুৱাই থৈছে। সেই পিৰামিড চোৱাৰ কথা আগতে ভবা নাছিলো যদিও কুৱেইটলৈ অহাৰ পাছত মনত এই ভাৱৰ উদয় হৈছিল। কিয়নো বহুতো কথাৰ বাবে ইয়াৰ পৰা ইজিপ্ত ভ্ৰমন সুবিধা। সৰুতে স্কুলত ভূগোল বিজ্ঞানত মিচৰৰ পিৰামিড আৰু মামীৰ বিষয়ে পঢ়োতে মিচৰীয় সকলৰ পাৰদৰ্শিতাৰ কথা শুনিছিলোঁ। যেই কি নহওক, পিৰামিড চোৱাৰ কথা ভাবি আছিলোঁ যদিও নানা ব্যক্তিগত কাৰণত হোৱা নাছিল। আনহতে যোৱা দুবছৰ মানত ইজিপ্তত হোৱা জনজাগৰণবোৰৰ বাবে ইজিপ্তত অশান্ত পৰিবেশে বিৰাজ কৰিছিল। সেয়েই মাজে মাজে ভাৱ হৈছিল, আমাৰ পিৰামিড চোৱা বাৰু নহ'বগৈয়ে নেকি ! আনহাতে মোৰ ল'ৰা সুমনে সদায়েই কয় তোমালোক ফুৰিবলৈ যাৱা, ইজিপ্ত চাবাগৈ। সৌভাগ্য বশতঃ এতিয়া পৰিৱেশবোৰ কিছু শান্ত হোৱাত যোৱাৰ আঁচনি এটা কৰিলোঁ। মোৰ সহকৰ্ম্মী Waleed এজন ইজিপ্তৰ ইঞ্জিনিয়াৰ আৰু মোৰ অতি আপোন। তেওঁও যথেষ্ঠ আশ্বাস দিয়াত ইজিপ্ত যোৱাৰ বাবে প্ৰাৰম্ভিক কামবোৰ কৰাত লাগিলোঁ। Internet ৰ যোগেদি কিছু চাইচিতি Select Egypt নামৰ এটা Travel Agency ৰ লগত যোগাযোগ কৰি, তেওঁলোকৰ যোগেদি ইজিপ্ত চোৱাতো ঠিক কৰিলোঁ। এইখিনিতে কব খুজিছোঁ। Select Egypt হৈছে- Egyptian Ministry of Tourism ৰ তলত পঞ্জীয়ণ কৰা এটা Travel agent। আনহাতে যোৱাৰ আগে আগে ৰাজু আৰু জয়ন্ত (শইকীয়া)ৰ পৰা গম পালো আমাৰ OIL ৰ পৰা অহা পাল বেজবৰুৱাও বৰ্ত্তমান কাইৰোতে Shell ত কাম কৰি আছে। গতিকে আৰু ভাল লাগিল।

যোৱা ফেব্ৰুৱাৰী মাহৰ ২০ তাৰিখে পিৰামিড চোৱাৰ মানসেৰে ইজিপ্ত পালোগৈ। ২১ তাৰিখৰ পৰা আমাৰ যাত্ৰা আৰম্ভ হ'ল। ইজিপ্তত ইটোসিটো বহুতো বস্তু চালো যদিও মোৰ এই লিখনিত পিৰামিড, মন্দিৰ আৰু কবৰৰ বিষয়েহে বিশেষকৈ উল্লেখ কৰিম।

ইজিপ্ত ভ্ৰমণ কৰি এটা কথা বুজিব পাৰিলোঁ আত্মাৰ মৰণ নাই বিশ্বাসৰ ওপৰত ভিৰ্ত্তি কৰিয়েই মিচৰীয় সকলে পিৰামিড, কবৰ আদি বনাইছিল, মৃতকৰ আত্মাই ইহলোকত পৰলোক প্ৰাপ্তিৰ পিছত সুন্দৰভাৱে থাকিবৰ বাবে। কিয়নো তেতিয়াৰ দিনত ৰজা বা Pharaoh সকলক পৃথিৱীত থকা ভগৱান হিচাবে গণ্য কৰিছিল আৰু মৃত্যুৰ পিছত তেওঁলোকৰ আত্মাই বেলেগ এখন নেদেখা দেশত একেধৰণেৰে বিৰাজ কৰিব বুলি বিশ্বাস কৰিছিল। মৃত্যুৰ পিছত আত্মাই মানুহৰ শৰীৰটো কিছুদিন আবৰি থাকে বুলি ভবাৰ বাবে মানুহৰ শৰীৰটো মামী হিচাবে ৰাখিবলৈ সিদ্ধান্ত কৰিছিল। ইজিপ্তৰ মন্দিৰ, কবৰ আদিত খোদিত কৰি থোৱা ছবি আৰু লিপিবোৰৰ পৰা মৃত্যুৰ পাছত আত্মাৰ পিছৰ সময়ৰ বাবে ভবা কথাবোৰৰ বিষয়ে গম পোৱা হৈছে। তেতিয়াৰ দিনত তিনিটা ভাষাত এইবোৰ লিখা হৈছিল Hieroglyphic, Hieratic আৰু Demotic। তাৰ ভিতৰত বিশেষ ভাবে Hieroglyphic ভাষা মন্দিৰ, পিৰামিড আৰু কবৰ বোৰত, Demotic ৰজাঘৰৰ বিশেষ পুৰোহিত সকলে আৰু Hieratic ভাষা জনসাধাৰণে ব্যৱহাৰ কৰিছিল। ইজিপ্তৰ এই মিচৰীয় সভ্যতাৰ বিষয়ে বহুকথাই গম পোৱা নগ'লহেতেন যদিহে ফ্ৰেঞ্চৰ Francois Champollion য়ে এই Hieroglyphic ভাষাতো অনুবাদ নকৰিলেহেতেন। তাৰ পিচতেই খোদিত ছবি আৰু লিপিবোৰৰ পৰা বহু কথাই উদ্ধাৰ হ'ল।

আমাৰ যাত্ৰাৰ প্ৰথম দিনাই গিজাত থকা পিৰামিড চাবলৈ ওলালো। লগত Select Egypt ৰ পথপ্ৰদৰ্শক মাহমুদ। তেওঁ Egyptology ৰ স্নাতক, লগতে পৰ্য্যটনৰ বিশেষ অৰ্হতা সম্পন্ন লোক। তেওঁ জনালে গিজাত সৰ্বমুঠ সৰুবৰ ৯টা পিৰামিড আছে। গিজাৰ ওচৰে ওচৰে থকা বৃহৎ আকাৰৰ তিনিটা পিৰামিড হৈছে Cheops, Chephren আৰু Micerinus যাক Khufu, Khafre আৰু Menkaure হিচাবেও জনা যায়। এইবোৰ প্ৰায় ৫০০০ হেজাৰ বছৰ পুৰণি। আটাইতকৈ ডাঙৰ Cheops ৰ উচ্চতা প্ৰায় ১৪৯ মিটাৰ। এই পিৰামিডবোৰ ৰঙা গ্ৰেনাইট পাথৰ আৰু Sandstone ৰ দ্বাৰা বনোৱা। যদিও পিৰামিডবোৰ দেখাত দূৰৰ পৰা ত্ৰিভুজ আকাৰৰ, কিন্তু একেবাৰে ওচৰৰ পৰা গাঠনিৰ মাজভাগৰ পৰা চালে অৰ্দ্ধবৃৰ্ত্তাকাৰ যেন পৰিলক্ষিত হয়। পিৰামিডৰ এই আকাৰৰ আৰতো মিছৰীয় সকলৰ বিশ্বাস জড়িত হৈ আছে। জীৱনৰ আৰম্ভনি হয় সূৰ্য্য উদয়ৰ দৰে আৰু লাহে লাহে আগবাঢ়ি শেষ হয় সূৰ্য্য অস্ত যোৱাৰ দৰে, প্ৰায় অৰ্দ্ধবৃত্তাকাৰ এটা পথ। মৃত্যুৰ পাছত আত্মাই বাকী অৰ্দ্ধবৃৰ্ত্তাকাৰ পথ সম্পূৰ্ণ কৰে। আনহাতে দূৰৰ পৰা দেখিলে পিৰামিডৰ একোটা ফাল মিহি বেৰৰ দৰে লাগে, কিন্তু ওচৰৰ পৰা দেখিলেহে গম পোৱা যায় এইটো স্তৰে স্তৰে বৃহৎ আকাৰৰ একো একোটা গ্ৰেণাইট পাথৰৰ দ্বাৰা বনোৱা হৈছিল। তলৰ পাথৰ বোৰ বেছ ডাঙৰ আৰু ওপৰলৈ ক্ৰমান্বয়ে সৰু। পিৰামিডৰ ভিতৰত কবৰৰ লগতে Pharaoh সকলে ব্যৱহাৰ কৰা সামগ্ৰী সমূহ, তেওঁৰ জীয়াই থাকোতে অনবৰতে সহায় কৰা কৰ্ম্মীসকলৰ মূৰ্ত্তি সমূহ আদি ৰাখিবৰ বাবে বেলেগ বেলেগ কোঠা বনোৱাও হৈছিল। গতিকে প্ৰকৃত কথাত কবলৈ গ'লে পিৰামিডৰ ভিতৰত একো একোটা সৰু সুৰা ৰাজ প্ৰাসাদ আছিল। আচৰিত কথা এয়ে যে ওচৰত কোনো গ্ৰেণাইট পাথৰৰ খনি বা Sandstone ৰ কুপ নাছিল। বহুত দূৰৰ পৰা এইবোৰ কঢ়িয়াই অনা হৈছিল। গ্ৰেণাইট পাথৰৰ খনি আছিল প্ৰায় ৭০০ কিঃ মিঃ দূৰত্বৰ Aswan ত, আনহাতে

Sandstone ও আছিল Aswan আৰু Luxor ৰ মাজৰ ঠাইত, প্ৰায় ৫০০/৬০০ কিঃ মিঃ দূৰত্বত। গতিকে বহুত দূৰৰ পৰা এইবোৰ কঢ়িয়াই অনা হৈছিল। একো একোটা বৃহৎ আকাৰৰ পাথৰ কেনেদৰে আনিছিল, কেনেদৰে ওপৰলৈ উঠাইছিল সি এতিয়াও অধ্যয়ণৰ মাজত। কিন্তু তেওঁলোক যে কাৰিকৰী বিদ্যাত পাকৈত আছিল সি ধ্ৰুৱ। বহুতেই কব খোজে, নীল নদীয়েদি এইবোৰ কঢ়িয়াই অনা হৈছিল, নীল নদীখন খানি ওচৰলৈ বোৱাই অনা হৈছিল। মইও পৃথিৱীৰ ৭টা আচৰিত বস্তুৰ মাজত অভিহিত কৰা পিৰামিড চাই মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিছিলো তেতিয়াৰ দিনত মিচৰীয় সকলে কৰা এই আচৰিত কাৰিকৰী বিদ্যা। এইখিনিতে কও, Pharaoh সকলৰ বাদেও তেওঁলোকৰ পৰিয়ালৰ লোকৰ বাবেও সৰু বৰ বহুত পিৰামিড বনাইছিল।

Cheops পিৰামিডৰ প্ৰায় ৩৫০ মিটাৰ মান দূৰতে থকা আৰু এটা আচৰিত বস্তু হৈছে SPHINX। এই মূৰ্ত্তিটো গাটো সিংহৰ আৰু মুখখন মানুহৰ। এটা শিলতে কাটি উলিওৱা এইটো প্ৰায় ৫৭ মিঃ দীঘল আৰু ২০ মিঃ ওখৰ এটা প্ৰকাণ্ড মূৰ্ত্তি। এইটো বনোৱা হৈছিল পিৰামিডত থকা কবৰক ৰক্ষা কৰিবৰ বাবে। তেওঁলোকৰ বিশ্বাস Sphinx য়ে সদায় মৃতকক সুৰক্ষা দিব। এনেকুৱা মূৰ্ত্তি আমি পাছত Luxor চহৰত থকা Karnak মন্দিৰৰ সন্মুখ ভাগতো দেখিছিলোঁ। সেইবোৰৰ মুখবোৰ ৰাম ছাগলীৰ মুখৰ আছিল আৰু আকাৰত সৰু।

তাৰ পাছত আমি কাইৰোত থকা Egyptian Museum চাবলৈ গ'লো। এই Museum ত বিশেষকৈ পিৰামিড, কবৰবোৰত উদ্ধাৰ কৰা বস্তুবোৰ আনি ৰখা হৈছে। মিছৰীয় সভ্যতাৰ নিদৰ্শনেৰে ভৰি থকা Museum চাই মাথো এটা কথাই ভাৱ হৈছিল, আজিৰ পৰা ৪/৫ হেজাৰ বছৰৰ আগতেই তেওঁলোক বাৰু কাৰিকৰী বিদ্যাত ইমান পাৰ্গত কেনেকৈ হৈছিল। Museum ত থকা মাত্ৰ ১৯ বছৰ বয়সতে মৃত্যু হোৱা ৰজা টুটেনখামুনৰ সোণেৰে বনোৱা ১১ কিঃ গ্ৰাম ওজনৰ অতি নিখুটকৈ বনোৱা মুখাখন দেখি আচৰিত হৈছিলোঁ। তেওঁক কবৰ দিবলৈ ৩ টা কফিন ব্যৱহৃত হৈছিল তাৰে দুটা Museum ত ৰখা হৈছে। তেওঁৰ সোণেৰে বনোৱা কফিনতো আকৌ ২০০ কিঃ গ্ৰামতকৈ বেছি ওজনৰ। এইবোৰ Luxor ত থকা Vally of Kings ত থকা টুটেন খামুনৰ কবৰৰ পৰা উদ্ধাৰ কৰি ইয়াত ৰখা হৈছে। জনামতে তেওঁৰ মামীটো অৱশ্যে এতিয়াও Valley of Kings ৰ কবৰতে ৰখা হৈছে। তাৰ বাদেও তেওঁৰ ব্যৱহৃত সকলো বস্তু কাপোৰ-কানি আনকি চেন্দেললৈকে তাত দেখিবলৈ পালো। তাৰ বাদেও তাত আন আন বহুত মূৰ্ত্তি আছে প্ৰায়বোৰ মূৰ্ত্তি Granite বা Limestone ত সুন্দৰকৈ বনাইছিল। ইমান টান পাথৰবোৰ ইমান সুন্দৰকৈ কেনেকৈ মিহি কৰিছিল ভাবিলে আচৰিত লাগে। সেই Museum তে আমি Royal Mummies Hall ত ১২ টাকৈ মামী দেখিবলৈ পাইছিলো- প্ৰায়বোৰৰ উচ্চতা বৰ্ত্তমান সময়ৰ মানুহৰ দৰেই আছিল, কেৱল এজন Pharaoh ৰ উচ্চতা ১.৮ মিঃ দেখিলোঁ। যিখিনি গম পালো মামী বনোৱাৰ প্ৰণালীও আছিল আচৰিত হ'বলগিয়া বিধৰ, তাৰ পৰা অনুমান কৰিব পাৰি শল্য চিকিৎসা শাস্ত্ৰতো তেওঁলোক অতি পাৰ্গত আছিল। তেওঁলোকৰ সংৰক্ষণ প্ৰণালী কিন্তু এতিয়াও সাথৰ হৈয়ে আছে।

আমি কাইৰোৰ পৰা বিমানযোগে Luxor চহৰ পালোগৈ উদ্দেশ্য তাৰ পৰা নীল নদীয়েদি জাহাজেৰে ভ্ৰমণ কৰি Aswan পোৱাৰ। Luxor ত আমি Karnak আৰু Luxor মন্দিৰ চালোঁ। Karnak মন্দিৰটো নীল নদীৰ পূব পাৰত অৱস্থিত, প্ৰায় ৩৫০০ বছৰ মানৰ আগতে তেওঁলোকৰ ভগৱান Amun ৰ নামত উচৰ্গিত। গোটেই মন্দিৰটো ঘূৰণীয়া খুটাৰে আবৃত। সামূহিক অনুষ্ঠানৰ কোঠাতো ১০২ মিঃ দীঘল আৰু ৫৩ মিঃ বহল আৰু ১৩৪ টা খুটাৰে আবৃত। খুটাৰ বহিঃভাগত বহিবৰ বাবে ব্যৱস্থা কৰি দিয়া আছিল। ওপৰত, খুটাবোৰত বিভিন্ন ছবি আৰু ভাষা খোদিত আছে। Luxor ৰ পৰা আমাৰ পথ প্ৰদৰ্শক আছিল Ragab। তেওঁও Egyptology ৰ স্নাতক আৰু Hieroglyphic ত স্নাতকোত্তৰ। তেওঁৰ পৰা আমি এই লিখাবোৰৰ সম্পৰ্কে কিছু কথা গম পাইছিলোঁ। ঘুৰণীয়া খুটাবোৰৰ বাদেও মন্দিৰৰ ভিতৰত চাৰিচুকৰ একেটা গ্ৰেণাইট পাথৰৰ পৰা বনোৱা খুটা (Obelisk) দেখিলোঁ, তাতো বহুত কথা খোদিত কৰা হৈছে। এইটো প্ৰায় ২৩ মিঃ ওখ আৰু ১৪৩ টন ওজনৰ। আগতেই উল্লেখ কৰিছোঁ গ্ৰেণাইট পাথৰ কেৱল Aswan ত হে আছে - একেটা পাথৰতে বানোৱা এইবোৰ কেনেকৈ আনি ইয়াত ঠিক কৰাইছিল, ভাবিলেও আচৰিত লাগিছিল আজিৰ পৰা ৩৫০০ বছৰৰ আগতে। পাছত Aswan ত আমি Granite পাথৰৰ খনিত তেনেকুৱা এটা শেষ নোহোৱা Obelisk দেখিবলৈ পাইছিলোঁ। Crack হোৱাৰ বাবে বোধহয় সেইটো তেনেকৈ এৰি দিছিল। মন্দিৰৰ ভিতৰত এটা ডাঙৰ পুখুৰী আছিল। পুখুৰীটোৰ জলপৃষ্ঠ নীলনদীৰ পানীৰ উচ্চতাৰ লগত সমানে উঠা নমা হয় বাবে, সেইটো চাই ৰজাই নীল নদীৰ পানীৰ উচ্চতাৰ লগত সমঞ্জস্য ৰাখি প্ৰজাসকলৰ ওপৰত কৰ নিৰ্দ্ধাৰণ কৰিছিল। ৩ কিঃ মিঃ দূৰত আৱস্থিত Luxor মন্দিৰো প্ৰায় একে ধৰণেৰে নিৰ্ম্মাণ কৰা হৈছিল। আমাৰ উৰিষ্যাৰ পুৰীৰ জগন্নাথ মন্দিৰৰ ৰথ যাত্ৰাৰ দৰে বছৰৰ কিছুসময়ৰ বাবে ভগৱানক নীল নদীয়েদি Karnak মন্দিৰৰ পৰা Luxor মন্দিৰলৈ লৈ যোৱা হৈছিল আৰু পাছত স্থল পথেৰে পুনৰ Karnak মন্দিৰলৈ লৈ অনা হৈছিল।

Luxor তে থকা Vally of Kings মিচৰীয় সকলৰ ভগৱান (lady) Mertsegar আৰু Horthor নামত উচৰ্গিত, যি নিৰৱতা ভালপায়। এই Vally তো নিৰ্বাচন কৰাৰ কাৰণ আছিল তাৰ পৰ্বতৰ এটা টিলা ঠিক দেখাত পিৰামিডৰ দৰে, প্ৰাকৃতিক পিৰামিড বুলি কব পাৰি। এই Vally of Kings তে মিচৰীয় বহুতো ৰজাৰ কবৰ দিয়া হৈছে। এই কবৰসমূহ পিৰামিডৰ পাছৰ পৰ্য্যায়ৰ। প্ৰায় ১৫২৮ খৃঃপূঃত Pharaoh Tutmose-I য়ে তেওঁৰ নিজৰ কবৰস্থান এটা অজ্ঞাত স্থানত কৰাৰ উদ্দেশ্যেৰে এই পাহাৰৰ ভিতৰত সুৰঙ্গ খান্দি তাত বনোৱাৰ ব্যৱস্থা কৰিছিল। তাৰ পিছৰ পৰ্য্যায়ৰ কবৰবোৰ তাৰ ওচৰে-পাজৰে বনোৱা হৈছিল। বহুতেই কব খোজে সেই সময়ত ৰজাৰ বস্তু সমূহ (পিৰামিডত থকা) দস্যুৰ পৰা ৰক্ষা কৰিবলৈকে এনে অজ্ঞাতস্থানত কবৰ দিয়াৰ ব্যৱস্থা কৰিছিল। আমাৰ Guide য়ে জনোৱা মতে এতিয়ালৈকে ৬৫ টা কবৰ উদ্ধাৰ কৰা হৈছে- উদ্ধাৰ অভিযান এতিয়াও অব্যাহত আছে। বহুতবোৰ কবৰ (খোদিত ছবি আৰু ভাষা) অসম্পূৰ্ণ অৱস্থাত আছিল, কিয়নো কবৰ সম্পূৰ্ণ হোৱাৰ আগতেই Pharaoh ৰ মৃত্যু হৈছিল। তাৰে ৩ টা কবৰ দেখাৰ আমাৰ সৌভাগ্য হৈছিল। কবৰৰ ভিতৰত মামীৰ লগতে ৰজাৰ সকলো ব্যৱহৃত বস্তু থবৰ বাবে সকলো ধৰণৰ সুবিধা কৰা হৈছিল। কবৰৰ

ভিতৰলৈ সুমোৱা পথতে তেওঁলোকে পূজা কৰা দেৱ দেৱীবোৰ বেৰত অঙ্কিত কৰিছিল যাতে তেওঁলোকক সকলো সুৰক্ষা দিয়ে। সেই পাহাৰৰ টান শিলৰ ভিতৰত বৰ সুন্দৰকৈ মূৰ্ত্তিবোৰ আৰু লিপিবোৰ ৰঙীন ভাৱে অঙ্কিত কৰিছিল, কিছুমান এতিয়াও স্পষ্ট হৈ আছে। মিছৰীয় সকলৰ এই কলাৰ নিপুনতা দেখি আচৰিত হৈছিলোঁ। আমি তাত ৩ টা কবৰ চাইছিলো ৰজা Ramses II, Ramses IV, আৰু Ramses VI, কবৰৰ পৰা উদ্ধাৰ কৰা প্ৰায় বস্তু এতিয়া বিভিন্ন Museum ত আছে।

পৃথিৱীৰ সবাতোকৈ দীঘল নীল নদীয়ে আফ্ৰিকাৰ বহুদেশৰ মাজেদি আহি শেষত ইজিপ্ত পাইছেহি। এই নদীয়েদি জাহাজ Miss Esadora ত Luxor ৰ পৰা Aswan লৈ গৈ থাকোতেহে "ইজিপ্তক নীল নদীৰ দান" বুলি কোৱা কথাষাৰৰ অৰ্থ উপলব্ধি কৰিছিলোঁ যেতিয়া মৰুভূমিৰ মাজত খেতিবাতিৰে সেইজীয়া হৈ থকা নদীৰ অৱবাহিকা সমূহ দেখিবলৈ পাইছিলোঁ। Guide য়ে কৈছিল এই অৱবাহিকা সমূহত মাটি বিশেষে প্ৰচুৰ পৰিমাণে ধান, কুহিয়াৰ, মৰাপাট আদি খেতি হয়। নদীৰ পানীবোৰ দেখাত অত্যন্ত চাফা। ঠায়ে ঠায়ে নদীৰ মাজত দ্বীপ দেখিবলৈ পাইছিলোঁ, সেইবোৰো খেতি বাতিৰে ভৰা। আগতে হেনো ইয়াত যথেষ্ট ঘঁৰিয়াল আছিল। কিন্তু Aswan ত ১৯৬০ চনত Dam নিৰ্ম্মান কৰাৰ পাছত এই জীৱ সমূহ Upstream তে থাকি গ'ল। এই Dam ৰ বাবে Egypt ত বাণপানী নিয়ন্ত্ৰণ হোৱাৰ লগতে, যথেষ্ট পৰিমানে বিজুলী শক্তিও উৎপন্ন হয়। আমি Aswan ত এই Dam তো চাইছিলোঁ।

Aswan ত আমি মিচৰীয় সভ্যতাৰ কিছু বস্তু চোৱাৰ পাছত আমি তাতে থকা Botanical Garden খন চাবলৈ গ'লোঁ। পৃথিৱীৰ বিভিন্ন ঠাইৰ পৰা অনা নানা ৰকমৰ গছ গছনিৰে মৰুভূমিৰ মাজত এখন সুন্দৰ বাগিছা দেখি বৰ ভাল লাগিল। আৰু ভাল লাগিল যেতিয়া অসমৰ পৰা অনা এজোপা বেতগছ তাত দেখিলোঁ তলত লিখা আছে Bengal/Assam। এক প্ৰকাৰ চিঞৰিয়ে দিলোঁ।

ইজিপ্তলৈ যাওঁতেই এবাৰ Red Sea খন চাই অহাৰ মানসেৰে এইবাৰ Aswan ৰ পৰা আকাশী পথেৰে Hurghada পালোগৈ। Harghada ত Red Sea ৰ উপকূলত সুন্দৰ Sea Beach আছে। তাৰোপৰি Aquatic Sports ৰ বাবেও এইখন বিখ্যাত। এই সাগৰৰ পানী Coral ৰ বাবে উপযোগী বাবে বহুতো Coral Reef দেখিবলৈ পোৱা যায়। সাগৰৰ মাজৰ এটা দ্বীপলৈ যাওঁতে Coral বোৰ দেখি অভিভূত হৈছিলোঁ। আনহাতে সাগৰৰ গভীৰ নীলা পানীবোৰ দেখি বৰ ভাল লাগিছিল, সাগৰৰ এনেকুৱা নীলা পানী মই এতিয়ালৈকে দেখা নাছিলোঁ। দূৰৰ পৰা পানীবোৰ আকৌ এঠাইত গভীৰ নীলা, এঠাইত আকাশী ৰঙৰ আন এঠাইত সেউজীয়াৰ দৰে দেখিছেলোঁ। মুঠতে Red Sea ৰ অভিজ্ঞতাই সুকীয়া।

শেষত আমাৰ ইজিপ্ত ভ্ৰমণ ইয়োতে শেষ কৰিব খুজিছোঁ মোৰ পৰিয়ালৰ এজনৰ দৰেই আপোন, সহকৰ্ম্মী Waleed ক বিশেষ ধন্যবাদ জনাই-কিয়নো প্ৰায় গোটেই যাত্ৰাৰ সময় ছোৱাত তেওঁ ইয়াৰ পৰাই আমাৰ খা-খবৰ ৰাখিছিল, জানোচা আমাৰ কিবা অসুবিধা হয়। তাৰ লগতে মোৰ ভ্ৰাতৃ সম পাল আৰু তেওঁৰ পৰিয়ালকো ধন্যবাদ জনালোঁ, তেওঁ লোকেও নিজৰ ব্যস্ততাৰ মাজতো যিমানপাৰে আমাৰা খা খবৰ ৰাখিলে। এইবোৰে আমাৰ যাত্ৰাক আৰু ভাল লগা কৰি তুলিছিল।

স্মৃতি

দেৱাহুতি কাকতি দাস

সুখৰ স্মৃতি হেনো ক্ষন্তেকীয়া

দুখৰহে যুগমীয়া !

বহুদিনৰ পৰাই হিয়াৰ মাজত সংগোপনে ৰখা কিছুমান স্মৃতিয়ে আজি ভিৰ কৰিছেহি মনৰ বাহিৰে-ভিতৰে। পিচুৱাই লৈ গৈছে মোক প্ৰায় দুই দশক আগৰ জালুকবাৰী চৌহদলৈ।

বহুবছৰ হৈ গ'ল ১৯৯৪-৯৫ চনৰ কথা। আমি তেতিয়া বিশ্ববিদ্যালয় চৌহদ হোষ্টেলত ভৰি থৈছোহি। অসমৰ বিভিন্ন প্ৰান্তৰ ল'ৰা-ছোৱালীবোৰ আহি হোষ্টেলত ভিৰ কৰিছেহি। হোষ্টেলত থকাৰ দুদিন নৌহওঁতেই আমি কোনেও কাকো কেতিয়াওঁ নেদেখা এজাক ছোৱালীৰ ইজনীৰ সিজনীৰে সৈতে বন্ধুত্ব গঢ়ি উঠিল। ৰেগিঙৰ ভয় আৰু চিনিয়ৰৰ কঢ়া দৃষ্টিয়েও আমাক ওচৰ চপাই আনিছিল। এটা সময়ত Fresher's Social হ'ল আৰু আমিও হোষ্টেলত মুকলিমূৰীয়াকৈ ঘূৰিব পৰা হ'লো।

আমাৰ হোষ্টেলটো আছিল Single Room ৰ। গতিকে সন্ধিয়া Prayer ৰ পিছত চাহ খাবলৈ বুলি আমি ঘনিষ্ঠ কেইজনীমানে পাল পাতি ইজনী সিজনীৰ ৰুমত আড্ডা পাতিছিলো। চাহৰ লগত খাবলৈ বুলি বিভিন্ন ব্ৰেণ্ডৰ বিস্কুত, নহ'লে শ্বেখ বা ডায়মণ্ড বেকাৰীৰ ভাল মিঠা বিস্কুত আৰু কেতিয়াবা কাৰোবাৰ ঘৰৰ পৰা অনা তেলপিঠা বা নাৰিকলৰ লাৰু অথবা কাটানিম্‌কি। সেই কেইপদ বস্তুৰ কাৰণে কিমান টনা আজোৰা। দৰাচলতে চাহ খোৱাতকৈ আড্ডাটোহে আছিল বেছি আমেজ থকা। কেতিয়াবা আড্ডাৰ প্ৰকোপ ইমানেই বেছি হৈছিল যে ডাইনিং হলৰ বেলৰ শব্দতহে আমি সম্বিৎ ঘূৰাই পাইছিলো যে ভাত খাবৰ সময় হৈছে।

আমি কেইবাজনী বান্ধৱী আছিলো কবিতাৰ ভক্ত। গতিকে হীৰেন ভট্ট, নীলিম কুমাৰ, বিপুলজ্যোতিৰ কবিতাৰে আৰম্ভ কৰি শেষ কৰিছিলো বিভিন্ন হোষ্টেলৰ ছোৱালীবোৰৰ প্ৰেমৰ সৰস আলোচনাৰে। এনেদৰেই দিনবোৰ বাগৰি গ'ল। Previous পৰীক্ষালৈ মাথো দুমাহমান বাকী। ভাবিছো সদায় হোৱাৰ দৰে এইবাৰো পৰীক্ষা পিছুৱাব। নহ'লে নিগমে মৰিলো। PGSU ৰ আন্দোলন, ধৰ্ণা সকলো হ'ল। পৰীক্ষা হ'লে নিপিছুৱালে। হোষ্টেলবোৰলৈ নামি আহিল মৰিশালীৰ নিস্তব্ধতা। আমাৰ আড্ডাবোৰ চুটি হ'ব ধৰিলে। দুই এজনী চাহ খায়েই উঠি যাব ধৰিলে। দুই এজনী কবিৰাজেতো অহাই বাদ দিলে। এইবোৰৰ মাজতে এদিন নৱনীতাই এনে এক খবৰ আনিলে যে আমি কেইজনী চমকি উঠিলো। চাহত শোহা মাৰি নৱনীতাই ক'লে — আমাৰ প্ৰীতিৰেখাৰ গৰম খবৰ আছে ! Boyfriend কোন জাননে নাই - জীৱন, জীৱন কুমাৰ তাইৰ Deptৰে যে !!

জীৱন কুমাৰ, উজনিৰ কোনো এখন অখ্যাত গাৱৰ পৰা অহা চুটি চুলি আৰু মুজো নুমুজোকৈ থকা চকুহালিৰে সৈতে বেছ চাপৰ ল'ৰাটো, পঢ়াতো চোকা নহয়, Extracurricular Activity ও একো নাই - কি বিচাৰি পালে জানো প্ৰীতিৰেখাই তাৰ ওচৰত। আমাৰ কোনো এজনীৰো বিশ্বাস কৰিবলৈ মন নগ'ল। জানো প্ৰেম দেহজ নহয়, প্ৰেম শাশ্বত। কিন্তু প্ৰেম হ'বলৈ হ'লে দুটা ভিন্ন সত্ত্বাৰ মাজত কিবা এটাতো মিল থাকিব লাগে যিটো নেকি আমি প্ৰীতিৰেখা আৰু জীৱনৰ মাজত বিচাৰি পোৱা নাছিলো। প্ৰীতিৰেখা - প্ৰীতিৰেখা ভূঞা। Pol. Science ৰ ছাত্ৰী। উজ্জ্বল চকুৰে মিঠাবৰণীয়া মুখখনিত এনে এক আকৰ্ষণীয়তা আছে যি প্ৰথম দৃষ্টিতে সকলোকে মুগ্ধ কৰিব পাৰে। বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত তাই একেৰাহে দুবাৰ Best Debator হৈছিল। কলেজীয়া দিনৰ পৰাই তাইৰ কবিতা প্ৰান্তিকত প্ৰকাশ পাইছিল। মোৰ কবিতা ভালপোৱা মনটোৰ বাবে আজৰি সময়ত তায়ে ময়ে একেলগে কৰিছিলো হীৰুদাৰ উমাল কবিতাবোৰৰ পাঠ ! তায়ে মোক প্ৰথম চিনাকি কৰায় বিপুলজ্যোতিৰ কবিতা পুথি "মহাকাব্যৰ প্ৰথম পাত" ৰ স'তে। অনবৰতে আমাৰ ওচৰে পাজৰে থকা ছটবটীয়া ছোৱালীজনী লাহে লাহে নেদেখা হৈ আহিছিল। ভাবিছিলো পৰীক্ষাৰ কাৰণে চাগে তাই ব্যস্ত হৈ পৰিছে।

প্ৰথমতে বিশ্বাস কৰা নাছিলো যদিও লাহে লাহে যেতিয়া কেন্টিনৰ চুকৰ টেবুলত, কৃষ্ণচুড়াৰ তলত, ভিজিটিং ৰুমত অথবা পানবজাৰত দুয়োটাকে সলাজ হাঁহিৰে দেখিবলৈ ললো তেতিয়া আৰু বিশ্বাস নকৰি উপায় নাছিল। তথাপি দুটা বিপৰীতমুখী স্বভাৱৰ প্ৰেমক মোৰ মনটোৱে যেন মানি লব পৰা নাছিল। আমাৰ লগৰ সুৰঞ্জনাই বিজ্ঞৰ দৰে কৈ উঠিছিল — জান, তাই আচলতে বিৰাট চালাক ছোৱালী, জীৱনে Pass কৰাৰ লগে লগে (এটা বিশেষ Category হোৱা বাবে) চাকৰি পাই যাব, সেইকাৰণে ! মই কৈছিলো - থ হেৰৌ সেইবোৰ একো নহয় - Love is blind !

তাৰ পিছৰ ঘটনা চমু। আমি সকলোৱে জালুকবাৰীৰ মিঠা স্মৃতিবোৰ সাবটি ঘৰলৈ উভতি আহিলো। আমাৰ Group ৰ আমি কেবাজনীও Collegeত সোমালো, দুজনী মেঘদূত ভৱন (Postal), দুজনী বেঙ্কত আৰু এজনী "আমাৰ অসম" কাকত খনত সোমাল। লাহে লাহে এজনী দুজনীকৈ কেবাজনীৰো বিয়াৰ নিমন্ত্ৰণী চিঠিবোৰ আহিব ধৰিলে। নিজেও বিয়া হৈ দুলিয়াজান পালোগৈ। তাতে থাকোতেই এদিন মায়ে খবৰ দিলে - তোৰ বন্ধু প্ৰীতিৰেখাৰ বিয়া জীৱন কুমাৰৰ স'তে - গুৱাহাটীত হ'ব। পিছত ঘৰলৈ যাওঁতে গ'ম পালো, জীৱনে হেনো

A.C.S. পাইছে, Posting কাৰ্বি পাহাৰত। বিয়া মন্দিৰত হৈছিল, বিয়াত হেনো প্ৰীতিৰেখাৰ ঘৰৰ মানুহ কোনো অহা নাছিল।

সময়বোৰ পাৰ হৈ গৈছিল। দুলিয়াজানত মই ইতিমধ্যে এখন স্কুলত সোমাইছিলো। দিনটোৰ ব্যস্ততাৰ পিছত গধূলি সময়খিনি পাৰ কৰিছিলো গুৱাহাটীৰ পৰা পলমকৈ আহি পোৱা "আমাৰ অসম" কাকতখনেৰে। তেতিয়া যোৰহাট সংস্কৰণ প্ৰকাশ পোৱা নাছিল। প্ৰতিটো খবৰেই মই ইমান গোগ্ৰাসে গিলিছিলো যে প্ৰথম পৃষ্ঠাৰ পৰা আৰম্ভ কৰি সম্পাদকীয়, খেল একোৱে বাদ পৰা নাছিল, আনকি দ্বিতীয় পৃষ্ঠাৰ Job Vacancy, Matrimonial আৰু Obituary বোৰো। এদিন তেনেকৈ পঢ়ি থাকোতে হঠাৎ ৰৈ গ'লো এঠাইত। এই মুখখন ইমান চিনাকি চিনাকি লাগিছে। তলত জীৱন কুমাৰৰ নাম, প্ৰীতিৰেখাৰ আত্মাৰ সদ্‌গতিৰ বাবে জীৱন কুমাৰৰ প্ৰাৰ্থনা, প্ৰেমেৰে ভৰা এটি শোকগাঁথা !!! কিছুসময়ৰ বাবে স্তব্ধ হৈ গ'লো। ই কি সম্ভৱ! কিয় কেতিয়া, কেনেকৈ এশ এটা প্ৰশ্নই মোক জুমুৰি দি ধৰিলে। কিন্তু উত্তৰ ক'ৰপৰা পাওঁ? প্ৰীতিৰেখাক চিনি পোৱা আমিবোৰ এনেকৈ বিছিন্ন হৈ পৰিছো যে কাৰো Phone No. মোৰ লগত নাই। ইচাটি বিচাটিকৈ থাকি প্ৰায় ১৫ দিন মান পিছত সুৰঞ্জনাৰ No. টো কেনেবাকৈ যোগাৰ হ'ল। উদভ্ৰান্ত হৈ তাইলৈ Phone কৰিলো। তাইয়ো বিশেষ একো নাজানে - মাত্ৰ জানে প্ৰীতিৰেখাই Suicide কৰিছিলে, গাত কেৰাচিন ঢালি, বোধকৰো সি তাইৰ গাত হাত উঠাইছিল নেকি ! তাই সিমানখিনিলৈকে জানে।

বিয়াৰ মাথো ৯ টা মাহহে পাৰ হৈছিল। হৃদয় ওপচাই লৈ অহা প্ৰেমেৰে প্ৰীতিৰেখাই জীৱনৰ জীৱনটো ভৰাই ৰাখিব বিচাৰিছিল, কিন্তু জীৱনৰ কঠুৱা মনটোৰ ব্যৱহাৰে তাইক ইহ জীৱনৰ পৰাই বিদায় দিলে।

আত্মহত্যা হেনো এটা মানসিক ৰোগ। কিন্তু প্ৰীতিৰখোৰ ক্ষেত্ৰত মই ন দি কম যে প্ৰীতিৰেখা কেতিয়াও মানসিক ৰোগী নাছিল। পাহাৰী জুৰিৰ দৰে প্ৰাণোচ্ছল, প্ৰগল্‌ভা ছোৱালীজনীয়ে নিশ্চয় এনে এক জীৱ্ৰ মানসিক আঘাত পাইছিল যিয়ে তাইক সমগ্ৰ জীৱনটোৰ প্ৰতিয়েই বীতশ্ৰদ্ধ কৰি তুলিছিল।

১৯৯৯ ৰ পৰা ২০১৪ লৈকে প্ৰায় ১৫ বছৰেই গ'ল প্ৰীতিৰেখা ঢুকোৱা। এতিয়াও প্ৰীতিৰেখাৰ স্মৃতিয়ে মোক আমনি কৰে। আমনি কৰে বুদ্ধীদীপ্ত চকুহালিৰে সৈতে তাইৰ আকৰ্ষণীয় মুখখনিয়ে, আমনি কৰে প্ৰীতিৰেখাৰ সৰ্বশৰীৰ আগুৰি ৰখা জুইৰ লেলিহান শিখাবোৰে!

হীৰুদাৰ কবিতা পঢ়িলে এতিয়াও ভাব হয় এই যেন প্ৰীতিৰেখাই মোৰ লগে লগে আওঁৰাই গৈছে। আজি দুবছৰ আগতে হীৰুদা ঢুকাল। সেইদিনাখন মোৰ প্ৰীতিৰেখালৈ বৰকৈ মনত পৰিছিল। জীয়াই থকাহেতেন প্ৰীতিৰেখাও আহিলেহেতেন ঢপলিয়াই তাইৰ প্ৰিয় কবিগৰাকীৰ শেষ দৰ্শনৰ বাবে। এগৰাকী প্ৰতিষ্ঠিত কবি হিচাপে তাইয়ো তাইৰ অপূৰ্ব কথনশৈলীৰ হীৰুদাৰ ব্যক্তিত্বৰ বিভিন্ন দিশ উন্মোচিত কৰিলেহেতেন বিভিন্ন T.V. Channel আৰু Newspaper বোৰত!

কিন্তু নিয়তিৰ কি পৰিহাস - সকলোকে হতচকিত কৰি প্ৰীতিৰেখা গুচি গ'ল কোনোবা অজান দেশলৈ।

যোৱাবছৰ গুৱাহাটীৰ পৰা কুৱেইটলৈ বুলি ঘূৰি আহোতে বৰঝাৰ এয়াৰপোৰ্টত লগ পালো - নৱনীতাক - নৱনীতা আৰ্য্যৰ Lecturer, আজিকালি বিভিন্ন News channel বোৰৰ Discussion বোৰত তাইক প্ৰায়ে দেখা যায়। T.V.তহে দেখি থাকো, ইমানদিনৰ মূৰত স্বচক্ষে দেখি তাইক সাবটি ধৰিলো। Security check ৰ পিচত আমি দুয়ো একেলগে বহি ল'লো। উভটি গ'লো জালুকবাৰীৰ সেই সোণালী দিনবোৰলৈ। তাইৰ Flight মোতকৈ আগতে। কফি খাবি ৰহ বুলি কৈ তাই Coffee shopৰ ওচৰ পালেগৈ, নৱনীতা গুৱাহাটীৰ বৌদ্ধিক সমাজত আজিকালি এটা পৰিচিত নাম, সেয়েহে Coffee Shopৰ ওচৰতো তাই কেবাজনৰো সৈতে কথাৰ আদান প্ৰদান কৰিব লগা হ'ল। খৰধৰকৈ হাতত Coffee লৈ আহি তাই কৈ উঠিল Sorry ভাই, বেয়া নেপাবি অকণ দেৰি হৈ গ'ল। কফিৰ কাপত চুমুক দিওতেই তাই কৈ উঠিল - মই যে কথা পাতিলো সেই মানুহ কেইজন - তাৰে কোনোবা এজনক তই চিনি পাৱ নেকি চাচোন। আঁৰ চকুৰে এজন এজনকৈ চালো - নাই এজনকো মোৰ চিনাকি নালাগিল। মই মূৰ জোকাৰিলো - ওহোঁ। তাই ক'লে - সেই শকত চুটি চুলিৰ মানুহজনক ভালকৈ চা - চিনি পাবও পাৰ। মই কলো - এনেকুৱা পেটুৱা এটাৰ লগত Introduce হোৱা মোৰ মনত নাই। তয়ে কচোন কোননো সেয়া। মুখত ইষৎ সেমেকা হাঁহি লৈ তাই কলে - জীৱন কুমাৰ !! মোৰ আকৌ অবাক হোৱাৰ পাল। তাই কৈ উঠিল জীৱন হেনো তাহাঁতৰ Neighbour। দুবছৰ আগতে সিহঁতৰ সন্মুখৰ Plot টো কিনি ঘৰ সজাইছে। ঘৈণীয়েক Ruling partyৰ M.L.A. ৰ ছোৱালী। ল'ৰা-ছোৱালীহাল Bangaloreৰ International Schoolত পঢ়ে। প্ৰতিবছৰে বাহিৰলৈ যায় - এইবাৰো ওলাইছে - South Africa লৈ। দিল্লীলৈ একেখন Flight তে যাব নৱনীতাৰ সতে। নৱনীতা থিয় হ'ল, যাবৰ হৈছে - দুয়ো দুয়োকে সাবটি ধৰিলো। দুয়োৰে চকুত ভীৰ কৰিলেহি চকুপানীয়ে। সেই চকুপানী আছিল প্ৰীতিৰেখাৰ বাবে !!

দুখ আৰু যন্ত্ৰণাৰ টোৱে মোক ঢোৱাই নিলেও বাহিৰত স্বাভাৱিক যেন দেখুৱাই মই আঁৰ চকুৰে জীৱনলৈ চাইছিলো - দুটা দশক আগৰ ক্ষীণ মিন তলমূৰকৈ থকা ল'ৰাটো আজি কি আত্মবিশ্বাসী, গৌৰৱী। মুখত অনবৰতে এটা সন্তুষ্টিৰ ভাব। মোৰ চকুৰ আগেদিয়েই ঘৈণীয়েক, ল'ৰা-ছোৱালী লৈ জীৱন Flight ত উঠিল। মই নৱনীতালৈ চাই হাত জোকাৰিলো।

সেইদিনা ৰাতি এবাৰৰ বাবেও মোৰ চকুদুটা জাপ নেখালে। মনৱীয় সম্পৰ্ক, হৃদয়, আবেগ এইবোৰ ইমানেই ক্ষণস্থায়ীনে যে মানুহজন নোহোৱা হ'লে এই সকলোবোৰ নোহোৱা হৈ যায়।

মাজৰাতি এনে লাগিছিল এই যেন প্ৰীতিৰেখা মোৰ ওচৰলৈ আহক - মই তাইক সুধিম - কি দেখিছিল তাই জীৱনৰ চকুত ! কি বিচাৰি পাইছিল তাই তাৰ হৃদয়ত! কিন্তু নাই, সকলোপিনে নিমাত নিতাল।

প্ৰীতিৰেখা এতিয়া দূৰ আকাশৰ তৰা !!!

সুহুৰি

আলোক কুমাৰ দাস

সুহুৰিতো যে কিমান কাহিনী লুকাই থাকে

থাকে কত আশাৰ সংবাদ

পৃথিৱীৰ প্ৰাচীনতম বাদ্য সুহুৰি !

মন পুলকিত কৰা নাৱিকৰ সুহুৰিত

সাৰ পাই মনটো উৰি যায়

উপন্যাসৰ প্ৰাচীন কোনোবা দেশলৈ,

পৃথিৱী জয় কৰা সাগৰীয় কোনোবা যাত্ৰালৈ।

এৰা, সুহুৰিৰ ভাষাই সুকীয়া

ই মানুহৰ ব্যাকৰণ নামানে

মানুহৰ ভূগোল বুৰঞ্জীৰ পৰিধি নামনি

ই উদ্বেলিত কৰি যায় মানুহৰ হৃদয়।

HELIOS™ INFERNO™ CUTTERS
THERMAL DOMINANCE

Heating up drilling performance

NOV is burning up the record books with a series of cutter variants designed to deliver scorching performance in specific target applications. NOV's ReedHycalog™ Helios™ Inferno™ PDC cutters are precisely engineered to overcome thermal degradation and abrasion wear. By selecting cutter characteristics optimally suited to overcome the unique formation challenges of a particular drilling operation, the Inferno cutter range delivers:

- Best-in-class performance in specific applications
- Improved drill bit stability and steerability
- Increased durability
- Maximized penetration rates
- Greater impact resistance

Go to www.nov.com/ot/downhole or contact your NOV Downhole representative to get the right cutter matched to the right application on your next well.

partnering with you

Come see us at OTC 2014 Booth 3741

Email: downhole@nov.com

NATIONAL OILWELL VARCO

© 2014 National Oilwell Varco
All Rights Reserved
D392005B35-MKT001 Rev 01